
অসম গণ পৰিষদ


# সংবিধান



নতুন অসমৰ ভেটি

ঐক্য, শান্তি, প্ৰগতি

নির্বাচনী প্রতীক ঃ



# অসম গণ পৰিষদ

## সংবিধান

### প্ৰথম খণ্ড

প্ৰস্তাৱনা ঃ

বৈচিত্ৰৰ মাজত ঐক্যৰ প্ৰতীক, বিভিন্ন জনগোষ্ঠীৰ মিলন ভূমি আৰু বাৰে বৰণীয়া সংস্কৃতিৰ সমন্বয় তীৰ্থ অসমৰ নিজস্ব জাতীয় সত্ত্বা আৰু অখণ্ডতা সুৰক্ষাৰ বাবে, ধৰ্মনিৰপেক্ষতা, গণতন্ত্ৰ আৰু সমাজবাদৰ প্ৰেৰণাৰে, জ্ঞান-বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু কলা-সংস্কৃতিৰ পূৰ্ণ বিকাশেৰে, সুসমন্বিত কৃষি আৰু উদ্যোগৰ ভিত্তিত ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক উন্নয়নৰ যোগেদি পুৰুষ আৰু মহিলাৰ শ্ৰমৰ মৰ্যাদাবোধেৰে আৰু শ্ৰেণীহীন শোষণমুক্ত সমাজ ৰচনাৰে ভাৰতৰ অংগ ৰাজ্য হিচাপে এখন সমৃদ্ধ অসম গঢ়ি তোলাৰ প্ৰত্যয় আৰু প্ৰতিশ্ৰুতিৰে এক ৰাজনৈতিক দল গঠন কৰি আমি এই সংবিধান গ্ৰহণ কৰিলোঁ।

১। **নাম** ঃ অসম গণ পৰিষদ (Asom Gana Parishad) হ'ব।

২। **কৰ্মক্ষেত্ৰ** ঃ অসম ৰাজ্য।

৩। **মুখ্য কাৰ্যালয়** ঃ আমবাৰী, গুৱাহাটী - ১ হ'ব।

৪। **লক্ষ্য আৰু উদ্দেশ্য** ঃ দলৰ লক্ষ্য আৰু উদ্দেশ্য প্ৰধানকৈ হ'ব—

১। বিধিৰ দ্বাৰা প্ৰতিষ্ঠিত ভাৰতীয় সংবিধানৰ প্ৰতি আৰু সমাজৰ ধৰ্মনিৰপেক্ষতা আৰু গণতন্ত্ৰৰ প্ৰতি প্ৰকৃত বিশ্বাস আৰু আনুগত্যৰে দেশৰ সাৰ্বভৌমত্ব, ঐক্য আৰু অখণ্ডতা ৰক্ষা কৰা;

২। প্ৰকৃত যুক্তৰাষ্ট্ৰীয় (ফেডাৰেল) গাঁঠনিৰ ভিত্তিত ভাৰতীয় সংবিধানৰ ব্যাপক সংশোধন ঘটাই সঁচা অৰ্থত গণতান্ত্ৰিক বিকেন্দ্ৰীকৰণ নীতি ৰূপায়ণৰ জৰিয়তে ৰাজনৈতিক সম-অধিকাৰ, অৰ্থনৈতিক উন্নতি আৰু সামাজিক ন্যায় প্ৰতিষ্ঠা কৰি ভাৰতৰ অংগ ৰাজ্য হিচাপে সক্ৰিয় ভূমিকা ল'ব পৰাকৈ শক্তিশালী অসম গঢ়া;

৩। মানৱ সম্পদৰ বিকাশ সাধি খনিজ, বনজ আৰু জলজসম্পদ আদি থলুৱা প্ৰাকৃতিক সম্পদৰাজিৰ যথোপযুক্তভাৱে ব্যৱহাৰ কৰি তাৰ ভিত্তিত উদ্যোগ স্থাপনৰ জৰিয়তে নিয়োগৰ ক্ষেত্ৰ বহলাই উৎপাদন আৰু আয় বৃদ্ধি কৰি স্বাৱলম্বী অসম গঢ়া;

৪। ক্ষুদ্ৰ ৰাজনৈতিক স্বাৰ্থত জাতি, ধৰ্ম, বৰ্ণ, ভাষা, গোষ্ঠীৰ নামত পাৰস্পৰিক সন্দেহ আৰু অবিশ্বাসৰ ভাৱ বিয়পাই ভাগ ভাগ কৰা ঐতিহ্যমণ্ডিত অসমৰ বৃহৎ সমাজখন পাৰস্পৰিক সদ্ভাৱ, সহনশীলতা আৰু ভাতৃত্ববোধেৰে পুনৰ গঠন কৰা আৰু

৫। জাতি, ধৰ্ম, বৰ্ণ, ভাষা, গোষ্ঠী নিৰ্বিশেষে অসমৰ সমূহ জনগণক ৰাজনৈতিকভাৱে সংগঠিত কৰি গণতান্ত্ৰিক উপায়েৰে অসমৰ তথা অসমবাসীৰ প্ৰাপ্য অধিকাৰ সাব্যস্ত কৰা।

৫। পতাকা ঃ

দীৰ্ঘ আৰু প্ৰস্থৰ ঃ ৩ঃ২ আনুপাতত দলৰ ত্ৰিৰংগা পতাকাখনৰ ওপৰত এক তৃতীয়াংশ ৰঙা, তলৰ এক তৃতীয়াংশ নীলা আৰু মাজৰ এক তৃতীয়াংশ বগা হ'ব। মাজৰ বগা অংশত দলীয় প্ৰতীক 'হাতী'ৰ ছবি থাকিব।

ৰঙা ৰঙে সংগ্ৰাম আৰু পৰিৱৰ্তন, মাজৰ শুভ্ৰ ৰঙে নিকা সামাজিক জীৱনৰ দায়বদ্ধতা আৰু শান্তি, নীলা ৰঙে সংগ্ৰামৰ বুনিয়াদ, পাহাৰ-ভৈয়ামৰ সকলো জনগোষ্ঠীৰ ঐক্যবদ্ধ শক্তি আৰু সমৃদ্ধি বুজাব। হাতীৰ ছবিয়ে গণ ঐক্য, কৰ্ত্তব্যনিষ্ঠা, স্থিৰতা, দূৰদৃষ্টি আৰু দুৰ্দমনীয় শক্তি সূচাব।

৬। **নিৰ্বাচনী প্ৰতীক ঃ** 'হাতী'।

## দ্বিতীয় খণ্ড

৭। **সভ্যভৰ্ত্তি ঃ**

১৮ বছৰৰ বা ততোধিক বয়সৰ অসমত স্থায়ীভাৱে বসবাস কৰা আৰু দলৰ নীতি, আদৰ্শ, লক্ষ্য আৰু উদ্দেশ্যত বিশ্বাস কৰা যিকোনো ভাৰতীয় নাগৰিক দলৰ সভ্য হ'ব পাৰিব। সভ্য দুই প্ৰকাৰৰ হ'ব—

ক) সাধাৰণ সদস্য।

খ) সক্ৰিয় সদস্য।

ক) **সাধাৰণ সদস্য ঃ** দলৰ নীতি, আদৰ্শ গ্ৰহণ কৰি দলে নিৰ্দ্ধাৰণ কৰা ভৰ্ত্তি মাচুল আদায় দি দলীয় টিকট গ্ৰহণ কৰা জনক সাধাৰণ সদস্য হিচাপে গ্ৰহণ কৰা হ'ব।

খ) **সক্ৰিয় সদস্য ঃ** নিষ্ঠা আৰু সততাৰে একেৰাহে অন্ততঃ দুবছৰ দলীয় কাম-কাজত অংশগ্ৰহণ কৰাৰ পিছত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকে যুগুত কৰা নিয়মাৱলী বা বিধান অনুসৰি বিবেচিত হ'লে সাধাৰণ সদস্যই সক্ৰিয় সদস্য হ'ব পাৰিব। এজন সাধাৰণ সদস্য হ'বলৈ হ'লে তেওঁ অতি কমেও এশ গৰাকী নতুন সদস্য দলত ভৰ্ত্তি কৰাব লাগিব। সক্ৰিয় সদস্যক দলে বিভিন্ন স্তৰৰ সংগঠনত তেওঁলোকক পদবীত অধিষ্ঠিত কৰিব।

উক্ত ব্যৱস্থা সত্ত্বেও, দলৰ শীৰ্ষতম নীতি নিৰ্দ্ধাৰক সমিতিয়ে দলীয় স্বাৰ্থত কোনো যোগ্য লোকক সক্ৰিয় সদস্য হিচাপে ভৰ্ত্তি কৰিব পাৰিব আৰু তেনে সদস্যই সাত টকা ভৰ্ত্তি মাচুল আৰু বছৰেকত এটকাকৈ তিনি বছৰৰ বাবে তিনি টকা বছৰেকীয়া বৰঙণি মুঠ দহ টকা আদায় দিব লাগিব।

প্ৰত্যেক তিনি বছৰৰ মূৰে মূৰে প্ৰত্যেক সক্ৰিয় সদস্যই তেওঁৰ সদস্য পদ নবীকৰণ কৰিব লাগিব।

৮। **সাংগঠনিক গাঁঠনি ঃ**

ক) দলৰ সাংগঠনিক গাঁঠনি ন (৯) খলপীয়া হ'ব। এই সাংবিধানিক গাঁঠনি তলত উল্লেখ কৰা ধৰণে হ'ব।

১। **প্ৰাণ পৰিষদ ঃ** পঞ্চায়তৰ অন্তৰ্গত গাঁও পঞ্চায়তৰ সদস্যৰ পৰিসীমাই প্ৰাণ পৰিষদৰ পৰিসীমা হ'ব। নগৰ সমিতি, পৌৰ সভাৰ ৱাৰ্ড পৰ্যায়ত আৰু গুৱাহাটী পৌৰ নিগমৰ ৱাৰ্ডৰ তলৰ পৰ্যায়ত।

২। **পঞ্চায়ত পৰিষদ বা নগৰ পৰিষদ ঃ** গাঁও পঞ্চায়ত, নগৰ সমিতি আৰু পৌৰ সভা পৰ্যায়ত আৰু গুৱাহাটী পৌৰ নিগমৰ ৱাৰ্ড ইয়াৰ পৰিসীমা হ'ব। ভৌগোলিকভাৱে কোনো পঞ্চায়ত বিভক্ত হৈ থাকিলে বা প্ৰাকৃতিকভাৱে যোগাযোগৰ বাধা থাকিলে প্ৰয়োজন হ'লে বিধান পৰিষদে পুংখানুপুংখভাৱে পৰীক্ষা কৰি একাধিক পঞ্চায়ত পৰিষদ গঠন কৰিব পাৰিব। কিন্তু কোনো কাৰণতে প্ৰাণ

পৰিষদৰ এলেকা বিভক্ত হ'ব নোৱাৰিব। আনহাতে পৌৰসভা বা নগৰ সমিতিৰ দহ টাতকৈ অধিক ৱাৰ্ড হ'লে একাধিক পঞ্চায়ত পৰিষদ গঠন কৰিব পাৰিব।

৩। **মণ্ডল পৰিষদ ঃ** পঞ্চায়তৰ জিলা পৰিষদৰ পৰিসীমাই মণ্ডল পৰিষদৰ পৰিসীমা হ'ব।

৪। **বিধান পৰিষদ ঃ** বিধান পৰিষদ একোটা বিধান সভা সমষ্টিক লৈ গঠিত হ'ব।

৫। **মহকুমা পৰিষদ ঃ** প্ৰশাসনিক মহকুমাৰ পৰিসীমাই মহকুমা পৰিষদৰ পৰিসীমা হ'ব।

৬। **জিলা পৰিষদ ঃ** প্ৰশাসনিক জিলাৰ পৰিসীমাই জিলা পৰিষদৰ পৰিসীমা হ'ব।

৭। **সংসদীয় পৰিষদ ঃ** লোকসভা সমষ্টিৰ পৰিসীমাই সংসদীয় পৰিষদৰ পৰিসীমা হ'ব।

৮। **কেন্দ্ৰীয় পৰিষদ ঃ** ৰাজ্য পৰ্যায়ত।

৯। **শীৰ্ষতম কৰ্ম পৰিষদ।**

**বিশেষ দ্ৰষ্টব্য— বুথ সমিতি ঃ** অৱশ্যে প্ৰতি সাধাৰণ নিৰ্বাচনৰ ছমাহৰ পূৰ্বে প্ৰতি বিধান পৰিষদৰ অন্তৰ্গত বুথসমূহত বুথ সমিতি গঠন হ'ব। এই বুথ সমিতিসমূহ নিৰ্বাচন শেষ নোহোৱা পৰ্যন্ত কাৰ্যকাল থাকিব আৰু বুথ সমিতিসমূহ পৰিচালনা কৰা আৰু গঠন কৰাৰ দায়িত্ব প্ৰাণ পৰিষদ আৰু শক্তি পৰিষদে গ্ৰহণ কৰিব।

খ) সকলো সাংগঠনিক স্তৰৰ কাৰ্যকাল তিনিবছৰীয়া হ'ব। বিশেষ পৰিস্থিতি সাপেক্ষে ছয় মাহ, ছয় মাহকে এবছৰ পৰ্য্যন্ত শীৰ্ষতম কৰ্ম পৰিষদে সকলো স্তৰৰে কাৰ্যকাল বৃদ্ধি কৰিব পাৰিব। অৱশ্যে পৰৱৰ্তী সাধাৰণ পৰিষদৰ সভাত অনুমোদন ল'ব লাগিব।

## তৃতীয় খণ্ড

৯। **প্ৰাণ পৰিষদ ঃ**

১। **সাধাৰণ সভা গঠন ঃ** প্ৰত্যেক প্ৰাণ পৰিষদৰ নিৰ্দ্ধাৰিত এলেকাৰ পৰা এই সংবিধানৰ ব্যৱস্থা মতে অন্তৰ্ভুক্ত হোৱা অতি কমেও ৫০

জন সদস্যৰে প্ৰাণ সাধাৰণ সভা গঠন হ'ব। ইয়াৰ কাৰ্যকাল তিনি বছৰ হ'ব।

২। **প্ৰাৰম্ভকি সাধাৰণ সভাৰ সভা ঃ** তেনেকৈ গঠিত সৰ্বপ্ৰথম সাধাৰণ সভাৰ ক্ষেত্ৰত সংশ্লিষ্ট পঞ্চায়ত বা নগৰ পৰিযদৰ সম্পাদকে সভাপতিৰ লগত আলোচনা কৰি প্ৰাৰম্ভিক সাধাৰণ সভা আহ্বান কৰিব। সংশ্লিষ্ট পঞ্চায়ত বা নগৰ পৰিযদৰ সভাপতিয়ে এই সভাৰ অস্থায়ী সভাপতি হিচাপে সভাপতিত্ব কৰিব আৰু সেই সভাতেই প্ৰাণ পৰিষদৰ কাৰ্যনিৰ্বাহক সমিতি গঠন হোৱাৰ পিছত নৱনিৰ্বাচিত সভাপতিৰ ওপৰত দায়িত্বভাৰ অৰ্পণ কৰিব।

৩। **সাধাৰণ সভাৰ আহ্বান ঃ** প্ৰতি বছৰৰ মূৰে মূৰে একোখন বাৰ্যিক সাধাৰণ সভা আহ্বান কৰিব লাগিব। প্ৰয়োজন হ'লে বিশেষ সাধাৰণ সভাও আহ্বান কৰিব পাৰিব। কাৰ্যকালৰ শেষৰ বছৰত সাধাৰণ অধিৱেশন আহ্বান কৰিব লাগিব। সভাপতিৰ সন্মতি সাপেক্ষে সম্পাদকে সভা আহ্বান কৰিব।

৪। **সভাৰ জাননী ঃ** নিৰ্দ্ধাৰিত সভাৰ তাৰিখৰ পৰা বিশেষ সাধাৰণ সভাৰ ক্ষেত্ৰত ৭ দিনৰ, বাৰ্যিক সাধাৰণ সভাৰ ক্ষেত্ৰত ১০ দিনৰ আৰু সাধাৰণ অধিৱেশনৰ ক্ষেত্ৰত ১৫ দিনৰ পূৰ্বে জাননী প্ৰকাশ কৰিব লাগিব।

৫। **সাধাৰণ সভাৰ থূল ঃ** মুঠ সদস্যৰ এক তৃতীয়াংশ সদস্য উপস্থিত থাকিলে সভাৰ থূল হ'ব আৰু উপস্থিত সদস্যৰ একাধিক ভোটৰ দ্বাৰা সকলো বিষয়ৰ মীমাংসা হ'ব। সমান সমান ভোট হ'লে সভাপতিয়ে এটা অতিৰিক্ত বা নিৰ্ণায়ক ভোট দিব পাৰিব।

১০। **দায়িত্ব আৰু কৰ্তব্য ঃ**

প্ৰাণ পৰিযদৰ সাধাৰণ সভাৰ দায়িত্ব আৰু কৰ্তব্য হ'ল ঃ

১। প্ৰাণ পৰিযদৰ কাৰ্যনিৰ্বাহক সভা গঠন কৰা,

২। পঞ্চায়ত বা নগৰ সাধাৰণ পৰিযদৰ সভালৈ প্ৰতিনিধি নিৰ্বাচন কৰা,

৩। দলীয় নীতি আৰু আদৰ্শৰ অনুকুলে জনমত গঠনৰ কৰ্মসূচী যুগুত কৰা,

৪। স্থানীয় সমস্যা চিহ্নিত কৰি তাৰ সমাধানৰ অৰ্থে জনসাধাৰণক সংগঠিত কৰাৰ কৰ্মসূচী যুগুত কৰা,

৫। তৃণমূল পৰ্যায়ত দলৰ স্থিতি সুদৃঢ় কৰাৰ অৰ্থে কৌশল ৰচনা কৰা,

৬। বাৰ্ষিক হিচাপ অনুমোদন কৰা।

**১১। প্ৰাণ পৰিষদৰ কাৰ্যনিৰ্বাহক সমিতি গঠন ঃ**

১। সাধাৰণ অধিৱেশনৰ দ্বাৰা নিৰ্বাচিত কৰিব লগা বিষয়ববীয়াকে ধৰি মুঠ ৩১ জন সদস্যৰে প্ৰাণ পৰিষদৰ কাৰ্যনিৰ্বাহক সমিতি গঠন হ'ব। এই সমিতিখনৰ এজন সভাপতি, দুজন উপ-সভাপতি, এজন সম্পাদক, এজন সম্পাদক তথ্য-প্ৰযুক্তি, দুজন সহকাৰী সম্পাদক আৰু ২১ জন কাৰ্যনিৰ্বাহক সদস্য সাধাৰণ সভাই পোনপটীয়াকৈ নিৰ্বাচিত কৰিব। নিৰ্বাচিত (২১) আৰু মনোনীত (৩) মুঠ ২৪ জন কাৰ্যনিৰ্বাহক সদস্যৰ মাজৰ পৰা (চ)ত উল্লেখিত চাৰিজন সম্পাদক (সংগঠন, বিত্ত, তথ্য আৰু প্ৰচাৰ, কাৰ্যালয়) প্ৰাণ পৰিষদৰ নৱ নিৰ্বাচিত সভাপতিয়ে মনোনীত কৰিব।

**প্ৰাণ পৰিষদ সমিতি**

| | | |
|---|---|---|
| ক) | সভাপতি | ১ জন |
| খ) | উপ-সভাপতি | ২ জন |
| গ) | সম্পাদক | ১ জন |
| ঘ) | সম্পাদক তথ্য-প্ৰযুক্তি | ১ জন |
| ঙ) | সহকাৰী সম্পাদক | ২ জন |
| চ) | সম্পাদক (সংগঠন, বিত্ত, তথ্য আৰু প্ৰচাৰ, কাৰ্যালয়) | ৪ জন |
| ছ) | কাৰ্যনিৰ্বাহক সদস্য | ১৭ জন |
| জ) | প্ৰাণ পৰিষদৰ সাধাৰণ সভাৰ সদস্যৰ মাজৰ পৰা পঞ্চায়ত পৰিষদ বা নগৰ পৰিষদ সমিতিৰ সভাপতিৰ দ্বাৰা মনোনীত সদস্য | ৩ জন |
| | | মুঠ ঃ ৩১ জন |

ইয়াৰ উপৰিও প্ৰাণ পৰিষদৰ অন্তৰ্গত পূৰ্ণ পৰ্যায়ত গঠিত দলৰ ভাতৃ-ভগ্নী সংগঠনৰ সভাপতি/সভানেত্ৰীসকল, দলৰ পৰা নিৰ্বাচিত পঞ্চায়তৰ সদস্য, প্ৰাণ পৰিষদৰ কাৰ্যনিৰ্বাহকৰ পদেন সদস্য হিচাপে অতিৰিক্তভাৱে অন্তৰ্ভুক্ত হ'ব। পদেন সদস্যৰ ভোটাধিকাৰ থাকিব কিন্তু কাৰ্যনিৰ্বাহকৰ বিষয়বাব ল'ব নোৱাৰিব।

২। **উপদেষ্টা ঃ** প্ৰাণ পৰিষদৰ পূৰ্ববৰ্তী কাৰ্যকালৰ সভাপতিক কাৰ্যনিৰ্বাহকৰ উপদেষ্টাৰূপে মনোনীত কৰাৰ উপৰিও প্ৰাণ পৰিষদৰ সাধাৰণ সদস্যৰ মাজৰ পৰা অতিৰিক্ত দুজনক প্ৰাণ পৰিষদৰ উপদেষ্টা হিচাপে প্ৰাণ পৰিষদৰ সভাপতিয়ে কাৰ্যনিৰ্বাহকৰ প্ৰথমখন সভাত সভাৰ অনুমোদন সাপেক্ষে মনোনীত কৰিব। উপদেষ্টাৰ ভোটাধিকাৰ নাথাকিব।

৩। **সভাৰ আহ্বান ঃ** বছৰেকত অন্ততঃ তিনিখন প্ৰাণ পৰিষদৰ কাৰ্যনিৰ্বাহকৰ সভা আহ্বান কৰিব লাগিব। সভাপতিৰ সন্মতি সাপেক্ষে সম্পাদকে সভা আহ্বান কৰিব।

৪। **সভাৰ জাননী ঃ** নিৰ্দ্ধাৰিত দিনৰ পৰা ৭ দিন পূৰ্বে জাননী প্ৰকাশ কৰি সভা আহ্বান কৰিব লাগিব।

৫। **সভাৰ থূল ঃ** এক তৃতীয়াংশ সদস্য উপস্থিত থাকিলে সভাৰ থূল হ'ব আৰু একাধিক ভোটৰ দ্বাৰা সকলো বিষয়ৰ মীমাংসা হ'ব। সমান সমান ভোট হ'লে সভাপতিয়ে এটা অতিৰিক্ত বা নিৰ্ণায়ক ভোট দিব পাৰিব।

৬। **তলবী সভা ঃ** কোনো জৰুৰী পৰিস্থিতিৰ উদ্ভৱ হ'লে বা দলীয় স্বাৰ্থত প্ৰয়োজন বিবেচনা কৰিলে এক তৃতীয়াংশ সদস্যই সভাপতিলৈ তলবী সভাৰ জাননী দিব পাৰিব আৰু তেনে জাননী পোৱাৰ পৰা সাত দিনৰ ভিতৰত সভা আহ্বান কৰিব লাগিব।

১২। প্ৰাণ **পৰিষদৰ কাৰ্যনিৰ্বাহক সভাৰ দায়িত্ব আৰু কৰ্তব্য ঃ**

১। দলৰ মুখ্য কাৰ্যালয়ৰ নিৰ্দেশ অনুসৰি সদস্য ভৰ্ত্তি আৰু নবীকৰণ কৰা,

২। প্ৰাণ পৰিষদৰ সাধাৰণ সভা আৰু অধিৱেশনৰ প্ৰস্তাৱ আৰু সিদ্ধান্ত কাৰ্যকৰী কৰা,

৩। পঞ্চায়ত পৰিষদকে আদি কৰি দলৰ ওপৰৰ স্তৰৰ পৰা অহা নিৰ্দেশ কাৰ্যকৰী কৰা,

৪। দলীয় কৰ্মসূচী ৰূপায়ণ কৰা আৰু সম্পাদকৰ প্ৰতিবেদন, প্ৰস্তাৱ, বাৰ্ষিক হিচাপ আৰু হিচাপ পৰীক্ষকৰ প্ৰতিবেদন আদি সাধাৰণ সভা আৰু অধিৱেশনৰ বিবেচনা আৰু অনুমোদনৰ বাবে আগবঢ়োৱা।

**১৩। বিষয়ববীয়াৰ দায়িত্ব আৰু কৰ্তব্য ঃ**

বিষয়ববীয়াসকলৰ দায়িত্ব আৰু কৰ্তব্য হ'ব ঃ

১। **উপদেষ্টা** ঃ প্ৰাণ পৰিষদৰ সকলো সভাত উপস্থিত থাকি প্ৰয়োজনীয় পৰামৰ্শ দিব।

২। **সভাপতি** ঃ প্ৰাণ পৰিষদৰ সকলো সভাত সভাপতিত্ব কৰাৰ উপৰিও সেই পৰ্যায়ত দলীয় মুৰব্বী হিচাপে সকলো দায়িত্ব সভাপতিৰ ওপৰত ন্যস্ত থাকিব। সভাপতিয়ে প্ৰাণ পৰিষদৰ পৰ্যায়ত দলৰ মুখপাত্ৰ হ'ব।

৩। **উপ-সভাপতি** ঃ সভাপতিৰ অনুপস্থিতিত সভাপতিৰ সকলো দায়িত্ব পালন কৰাৰ উপৰিও কাৰ্যনিৰ্বাহক সভাই আৰোপ কৰা দায়িত্ব পালন কৰিব।

৪। **সম্পাদক** ঃ মুখ্য কাৰ্যবাহী বিষয়ববীয়াৰূপে প্ৰাণ পৰিষদৰ কাৰ্যালয়ৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰিব আৰু প্ৰাণ পৰিষদৰ সকলো প্ৰস্তাৱ আৰু সিদ্ধান্তৰ লগতে পঞ্চায়ত, মণ্ডল, বিধান, মহকুমা, জিলা আৰু কেন্দ্ৰীয় পৰিষদৰ নিৰ্দেশ কাৰ্যকৰী কৰিব। সম্পাদক প্ৰাণ পৰিষদ পৰ্যায়ত দলৰ অন্যতম মুখপাত্ৰ হ'ব।

৫। **তথ্য-প্ৰযুক্তি সম্পাদক** ঃ তথ্য-প্ৰযুক্তি সম্পাদকে সকলো তথ্য কম্পিউটাৰত সংৰক্ষণ কৰিব আৰু এটা প্ৰযুক্তি কোষ গঠন কৰিব। যাৰ জৰিয়তে 'ছ'ছিয়েল মিডিয়া'কে ধৰি দলৰ ভাৱমূৰ্ত্তি উজ্জ্বল কৰাৰ ক্ষেত্ৰত প্ৰযুক্তিৰ দ্বাৰা সংযোগ স্থাপন কৰিব।

৬। **সহকাৰী সম্পাদক** ঃ সম্পাদকৰ অনুপস্থিতিত সম্পাদকৰ দায়িত্ব পালন কৰাৰ উপৰিও সভাপতি আৰু কাৰ্যনিৰ্বাহক সভাই আৰোপ কৰা দায়িত্ব পালন কৰিব।

৭। **সাংগঠনিক সম্পাদক ঃ** সভাপতি আৰু সম্পাদকৰ লগত যোগাযোগ ৰক্ষা কৰি দলীয় সংগঠন শক্তিশালী কৰাৰ বাবে তৃণমূলৰ প্ৰতিজন লোকৰ লগত প্ৰত্যক্ষ সম্বন্ধ ৰক্ষা কৰি কাম কৰা।

৮। **বিত্ত সম্পাদক ঃ** বিত্তীয় লেন-দেন কৰিব আৰু তাৰ হিচাপ ৰাখিব। হিচাপৰ বাবে বিত্ত সম্পাদক দায়ী হ'ব।

৯। **তথ্য আৰু প্ৰচাৰ সম্পাদক ঃ** প্ৰয়োজনীয় তথ্য সংগ্ৰহ আৰু সংৰক্ষণ কৰাৰ উপৰিও দলৰ নীতি, আদৰ্শ আৰু কৰ্মসূচী আদি প্ৰয়োজন অনুসৰি প্ৰচাৰ কৰিব।

১০। **কাৰ্যালয় সম্পাদক ঃ** কাৰ্যালয়ৰ কাম-কাজত সম্পাদকক সহায় কৰিব আৰু কাৰ্যালয়ৰ সকলো নথি-পত্ৰ সঠিকভাৱে ৰাখিব।

## ১৪। হিচাপ পৰীক্ষা ঃ

প্ৰতি বছৰে বাৰ্ষিক সাধাৰণ সভাই প্ৰাণ পৰিষদৰ বাৰ্ষিক হিচাপ পৰীক্ষা কৰি পৰীক্ষিত হিচাপ আৰু প্ৰতিবেদন দাখিল কৰিবলৈ সাধাৰণ সভাৰ সভ্যৰ মাজৰ পৰা দুজন হিচাপ পৰীক্ষক নিযুক্তি দিব আৰু পৰীক্ষিত হিচাপ আৰু প্ৰতিবেদন বাৰ্ষিক সাধাৰণ সভাত আৰু (শেষৰ বছৰত) সাধাৰণ অধিৱেশনৰ অনুমোদনৰ বাবে দাখিল কৰিব লাগিব।

# চতুৰ্থ খণ্ড

## ১৫। পঞ্চায়ত বা নগৰ পৰিষদ ঃ

### ১। সাধাৰণ সভা গঠন ঃ

ক) পঞ্চায়ত বা নগৰ পৰিষদৰ এলেকাৰ অন্তৰ্গত প্ৰত্যেক প্ৰাণ পৰিষদৰ সাধাৰণ অধিৱেশনৰ দ্বাৰা নিৰ্বাচিত ১০ জনকৈ সদস্যৰে পঞ্চায়ত বা নগৰ পৰিষদৰ সাধাৰণ সভা গঠন হ'ব। ইয়াৰ কাৰ্যকাল তিনি বছৰ হ'ব।

খ) পঞ্চায়ত বা নগৰ পৰিষদৰ অন্তৰ্গত প্ৰত্যেক প্ৰাণ পৰিষদৰ সভাপতি আৰু সম্পাদকসকল, পঞ্চায়ত বা নগৰৰ অন্তৰ্গত পঞ্চায়তৰাজ আৰু নগৰপালিকা ব্যৱস্থাত দলৰ নিৰ্বাচিত সদস্যসকল পঞ্চায়ত বা নগৰ

পৰিষদৰ সাধাৰণ পৰিষদ সভাৰ পদেন সদস্য হ'ব। পদেন সদস্যৰ ভোটাধিকাৰ থাকিব কিন্তু পঞ্চায়ত বা নগৰ পৰিষদৰ কাৰ্যনিৰ্বাহক সমিতিৰ বিষয়ববীয়া হ'ব নোৱাৰিব।

২। **সাধাৰণ পৰিষদৰ সভা আহ্বান ঃ** প্ৰতি বছৰৰ মূৰে মূৰে একোখন বাৰ্ষিক সাধাৰণ সভা আৰু কাৰ্যকালৰ শেষ বছৰৰ মূৰত সাধাৰণ অধিৱেশন আহ্বান কৰিব লাগিব। প্ৰয়োজন হ'লে বিশেষ সাধাৰণ সভাও আহ্বান কৰিব পাৰিব। সভাপতিৰ সন্মতি সাপেক্ষে সম্পাদকে সভা আহ্বান কৰিব।

৩। **সভাৰ জাননী ঃ** নিৰ্দ্ধাৰিত সভাৰ তাৰিখৰ পৰা বিশেষ সাধাৰণ সভাৰ ক্ষেত্ৰত ৭ দিনৰ, বাৰ্ষিক সাধাৰণ সভাৰ ক্ষেত্ৰত ১০ দিনৰ আৰু সাধাৰণ অধিৱেশনৰ ক্ষেত্ৰত ১৫ দিনৰ পূৰ্বে জাননী প্ৰকাশ কৰিব লাগিব।

৪। **সভাৰ থূল ঃ** মুঠ সদস্যৰ এক তৃতীয়াংশ সদস্য উপস্থিত থাকিলে সভাৰ থূল হ'ব আৰু উপস্থিত সদস্যৰ একাধিক ভোটৰ দ্বাৰা সকলো বিষয়ৰ মীমাংসা হ'ব। সমান সমান ভোট হ'লে সভাপতিয়ে এটা অতিৰিক্ত বা নিৰ্ণায়ক ভোট দিব পাৰিব।

**১৬। দায়িত্ব আৰু কৰ্তব্য ঃ**

পঞ্চায়ত বা নগৰ পৰিষদৰ সাধাৰণ সভাৰ দায়িত্ব আৰু কৰ্তব্য প্ৰধানকৈ হ'ব ঃ

১। কাৰ্যনিৰ্বাহক সভা গঠন কৰা,

২। মণ্ডল পৰিষদৰ সাধাৰণ পৰিষদৰ সভালৈ প্ৰতিনিধি নিৰ্বাচন কৰা,

৩। দলীয় নীতি আৰু আদৰ্শৰ সপক্ষে জনমত গঠনৰ আঁচনি যুগুত কৰা,

৪। স্থানীয় সমস্যা চিহ্নিত কৰি তাৰ সমাধানৰ অৰ্থে কৰ্মসূচী যুগুত কৰা,

৫। তৃণমূল পৰ্যায়ত দলৰ স্থিতি সুদৃঢ় কৰাৰ অৰ্থে কৌশল যুগুত কৰা,

৬। বাৰ্ষিক হিচাপ অনুমোদন কৰা।

**১৭। পঞ্চায়ত বা নগৰ পৰিষদৰ কাৰ্যনিৰ্বাহক সমিতি গঠন ঃ**

১। সাধাৰণ অধিৱেশনৰ দ্বাৰা নিৰ্বাচিত কৰিব লগা বিষয়ববীয়াকে ধৰি মুঠ ৩১ জন সদস্যৰে পঞ্চায়ত বা নগৰ পৰিষদৰ কাৰ্যনিৰ্বাহক সমিতি

গঠন হ'ব। এই সমিতিখনৰ এজন সভাপতি, দুজন উপ-সভাপতি, এজন সম্পাদক, এজন সম্পাদক তথ্য-প্ৰযুক্তি, দুজন সহকাৰী সম্পাদক আৰু ২১ জন কাৰ্যনিৰ্বাহক সদস্য সাধাৰণ সভাই পোনপটীয়াকৈ নিৰ্বাচিত কৰিব। নিৰ্বাচিত (২১) আৰু মনোনীত (৩) মুঠ ২৪ জন কাৰ্যনিৰ্বাহক সদস্যৰ মাজৰ পৰা (চ)ত উল্লেখিত চাৰিজন সম্পাদক (সংগঠন, বিত্ত, তথ্য আৰু প্ৰচাৰ, কাৰ্যালয়) প্ৰাণ পৰিষদৰ নৱ নিৰ্বাচিত সভাপতিয়ে মনোনীত কৰিব।

**পঞ্চায়ত বা নগৰ সমিতি**

| | | |
|---|---|---|
| ক) | সভাপতি | ১ জন |
| খ) | উপ-সভাপতি | ২ জন |
| গ) | সম্পাদক | ১ জন |
| ঘ) | সম্পাদক তথ্য-প্ৰযুক্তি | ১ জন |
| ঙ) | সহকাৰী সম্পাদক | ২ জন |
| চ) | সম্পাদক (সংগঠন, বিত্ত, তথ্য আৰু প্ৰচাৰ, কাৰ্যালয়) | ৪ জন |
| ছ) | কাৰ্যনিৰ্বাহক সদস্য | ১৭ জন |
| জ) | পঞ্চায়ত বা নগৰ পৰিষদৰ সাধাৰণ সভাৰ সদস্যৰ মাজৰ পৰা মণ্ডল পৰিষদ সমিতিৰ সভাপতিৰ দ্বাৰা মনোনীত সদস্য | ৩ জন |
| | মুঠ ঃ | ৩১ জন |

ইয়াৰ উপৰিও পঞ্চায়ত বা নগৰ পৰিষদৰ অন্তৰ্গত পূৰ্ণ পৰ্যায়ত গঠিত দলৰ ভাতৃ-ভগ্নী সংগঠনৰ সভাপতি/সভানেত্ৰীসকল, দলৰ পৰা নিৰ্বাচিত পঞ্চায়তৰ সদস্য, প্ৰাণ পৰিষদৰ কাৰ্যনিৰ্বাহকৰ পদেন সদস্য হিচাপে অতিৰিক্তভাৱে অন্তৰ্ভুক্ত হ'ব। পদেন সদস্যৰ ভোটাধিকাৰ থাকিব কিন্তু কাৰ্যনিৰ্বাহকৰ বিষয়বাব ল'ব নোৱাৰিব।

২। **উপদেষ্টা ঃ** পঞ্চায়ত বা নগৰ পৰিষদৰ পূৰ্ববৰ্তী কাৰ্যকালৰ সভাপতিক কাৰ্যনিৰ্বাহকৰ উপদেষ্টাৰূপে মনোনীত কৰাৰ উপৰিও পঞ্চায়ত বা নগৰ পৰিষদৰ সাধাৰণ সদস্যৰ মাজৰ পৰা অতিৰিক্ত

দুজনক পঞ্চায়ত বা নগৰ পৰিষদৰ উপদেষ্টা হিচাপে পঞ্চায়ত বা নগৰ পৰিষদৰ সভাপতিয়ে কাৰ্যনিৰ্বাহকৰ প্ৰথমখন সভাত সভাৰ অনুমোদন সাপেক্ষে মনোনীত কৰিব। উপদেষ্টাৰ ভোটাধিকাৰ নাথাকিব।

৩। **সভাৰ আহ্বান ঃ** বছৰেকত অন্ততঃ তিনিখন কাৰ্যনিৰ্বাহকৰ সভা আহ্বান কৰিব লাগিব। সভাপতিৰ সন্মতি সাপেক্ষে সম্পাদকে সভা আহ্বান কৰিব।

৪। **সভাৰ জাননী ঃ** নিৰ্দ্ধাৰিত দিনৰ পৰা ৭ দিন পূৰ্বে জাননী প্ৰকাশ কৰি সভা আহ্বান কৰিব লাগিব।

৫। **সভাৰ থূল ঃ** এক তৃতীয়াংশ সদস্য উপস্থিত থাকিলে সভাৰ থূল হ'ব আৰু একাধিক ভোটৰ দ্বাৰা সকলো বিষয়ৰ মীমাংসা হ'ব। সমান সমান ভোট হ'লে সভাপতিয়ে এটা অতিৰিক্ত বা নিৰ্ণায়ক ভোট দিব পাৰিব।

৬। **তলবী সভা ঃ** কোনো জৰুৰী পৰিস্থিতিৰ উদ্ভৱ হ'লে বা দলীয়া স্বাৰ্থত প্ৰয়োজন বিবেচনা কৰিলে এক তৃতীয়াংশ সদস্যই সভাপতিলৈ তলবী সভাৰ জাননী দিব পাৰিব আৰু তেনে জাননী পোৱাৰ পৰা সাত দিনৰ ভিতৰত সভা আহ্বান কৰিব লাগিব।

**১৮। পঞ্চায়ত বা নগৰ পৰিষদৰ কাৰ্যনিৰ্বাহক সভাৰ দায়িত্ব আৰু কৰ্তব্য ঃ**

পঞ্চায়ত বা নগৰ পৰিষদৰ কাৰ্যনিৰ্বাহকৰ দায়িত্ব আৰু কৰ্তব্য প্ৰধানকৈ হ'ব ঃ

১। পঞ্চায়ত বা নগৰ পৰিষদৰ সাধাৰণ সভা আৰু অধিৱেশনৰ প্ৰস্তাৱ আৰু সিদ্ধান্ত কাৰ্যকৰী কৰা;

২। মণ্ডল পৰিষদকে আদি কৰি দলৰ ওপৰৰ স্তৰৰ পৰা অহা নিৰ্দেশ কাৰ্যকৰী কৰা;

৩। প্ৰাণ পৰিষদৰ কাম-কাজ পৰ্যবেক্ষণ কৰা আৰু পৰামৰ্শ দিয়া;

৪। দলীয় কৰ্মসূচী ৰূপায়ণ কৰা আৰু পঞ্চায়ত বা নগৰ পৰিষদৰ পৰ্যায়ত সংগঠিত জনস্বাৰ্থ বিৰোধী যিকোনো কাৰ্যৰ প্ৰতিবাদ সাব্যস্ত কৰি ন্যায় প্ৰতিষ্ঠাৰ বাবে প্ৰচেষ্টা চলোৱা;

৫। সম্পাদকৰ প্ৰতিবেদন আৰু হিচাপ পৰীক্ষকৰ প্ৰতিবেদন আদি সাধাৰণ সভা আৰু অধিৱেশনৰ বিবেচনা আৰু অনুমোদনৰ বাবে আগবঢ়োৱা।

**১৯। বিষয়ববীয়াৰ দায়িত্ব আৰু কৰ্তব্য ঃ**

বিষয়ববীয়াসকলৰ দায়িত্ব আৰু কৰ্তব্য হ'ব ঃ

১। **উপদেষ্টা ঃ** পঞ্চায়ত বা নগৰ পৰিষদৰ সকলো সভাত উপস্থিত থাকি প্ৰয়োজনীয় পৰামৰ্শ দিব।

২। **সভাপতি ঃ** পঞ্চায়ত বা নগৰ পৰিষদৰ সকলো সভাত সভাপতিত্ব কৰাৰ উপৰিও সেই পৰ্যায়ত দলীয় মুৰব্বী হিচাপে সকলো দায়িত্ব সভাপতিৰ ওপৰত ন্যস্ত থাকিব। সভাপতিয়ে প্ৰাণ পৰিষদৰ পৰ্যায়ত দলৰ মুখপাত্ৰ হ'ব।

৩। **উপ-সভাপতি ঃ** সভাপতিৰ অনুপস্থিতিত সভাপতিৰ সকলো দায়িত্ব পালন কৰাৰ উপৰিও কাৰ্যনিৰ্বাহক সভাই আৰোপ কৰা দায়িত্ব পালন কৰিব।

৪। **সম্পাদক ঃ** মুখ্য কাৰ্যবাহী বিষয়ববীয়াৰূপে পঞ্চায়ত বা নগৰ পৰিষদৰ কাৰ্যালয়ৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰিব আৰু পঞ্চায়ত বা নগৰ পৰিষদৰ সকলো প্ৰস্তাৱ আৰু সিদ্ধান্তৰ লগতে মণ্ডল, বিধান, মহকুমা, জিলা আৰু কেন্দ্ৰীয় পৰিষদৰ নিৰ্দেশ কাৰ্যকৰী কৰিব। সম্পাদক পঞ্চায়ত বা নগৰ পৰিষদ পৰ্যায়ত দলৰ অন্যতম মুখপাত্ৰ হ'ব।

৫। **তথ্য-প্ৰযুক্তি সম্পাদক ঃ** তথ্য-প্ৰযুক্তি সম্পাদকে সকলো তথ্য কম্পিউটাৰত সংৰক্ষণ কৰিব আৰু এটা প্ৰযুক্তি কোষ গঠন কৰিব। যাৰ জৰিয়তে 'ছ'ছিয়েল মিডিয়া'কে ধৰি দলৰ ভাৱমূৰ্ত্তি উজ্জ্বল কৰাৰ ক্ষেত্ৰত প্ৰযুক্তিৰ দ্বাৰা সংযোগ স্থাপন কৰিব। প্ৰাণ পৰিষদসমূহৰ তথ্য-প্ৰযুক্তি সম্পাদকৰ লগত যোগাযোগ ৰক্ষা কৰি সমন্বিতভাৱে কাৰ্য পৰিচালনা কৰিব।

৬। **সহকাৰী সম্পাদক ঃ** সম্পাদকৰ অনুপস্থিতিত সম্পাদকৰ দায়িত্ব পালন কৰাৰ উপৰিও সভাপতি আৰু কাৰ্যনিৰ্বাহক সভাই আৰোপ কৰা দায়িত্ব পালন কৰিব।

৭। **সাংগঠনিক সম্পাদক ঃ** সভাপতি আৰু সম্পাদকৰ লগত যোগাযোগ ৰক্ষা কৰি দলীয় সংগঠন শক্তিশালী কৰাৰ বাবে জনসাধাৰণৰ লগত প্ৰত্যক্ষ সম্বন্ধ ৰক্ষা কৰি কাম কৰা।

৮। **বিত্ত সম্পাদক ঃ** বিত্তীয় লেন-দেন কৰিব আৰু তাৰ হিচাপ ৰাখিব। হিচাপৰ বাবে বিত্ত সম্পাদক দায়ী হ'ব।

৯। **তথ্য আৰু প্ৰচাৰ সম্পাদক ঃ** প্ৰয়োজনীয় তথ্য সংগ্ৰহ আৰু সংৰক্ষণ কৰাৰ উপৰিও দলৰ নীতি, আদৰ্শ আৰু কৰ্মসূচী আদি প্ৰয়োজন অনুসৰি প্ৰচাৰ কৰিব।

১০। **কাৰ্যালয় সম্পাদক ঃ** কাৰ্যালয়ৰ কাম-কাজত সম্পাদকক সহায় কৰিব আৰু কাৰ্যালয়ৰ সকলো নথি-পত্ৰ সঠিকভাৱে ৰাখিব।

২০। হিচাপ পৰীক্ষা ঃ

প্ৰতি বছৰে বাৰ্ষিক সাধাৰণ সভাই প্ৰাণ পৰিষদৰ বাৰ্ষিক হিচাপ পৰীক্ষা কৰি পৰীক্ষিত হিচাপ আৰু প্ৰতিবেদন দাখিল কৰিবলৈ সাধাৰণ সভাৰ সভ্যৰ মাজৰ পৰা দুজন হিচাপ পৰীক্ষক নিযুক্তি দিব আৰু পৰীক্ষিত হিচাপ আৰু প্ৰতিবেদন বাৰ্ষিক সাধাৰণ সভাত আৰু (শেষৰ বছৰত) সাধাৰণ অধিৱেশনৰ অনুমোদনৰ বাবে দাখিল কৰিব লাগিব।

## পঞ্চম খণ্ড

**২১। মণ্ডল পৰিষদ ঃ**

পঞ্চায়তৰ জিলা পৰিষদৰ পৰিসীমাই মণ্ডল পৰিষদৰ পৰিসীমা হ'ব। ইয়াৰ সদস্যৰ সংখ্যা ৩৫ গৰাকী হ'ব। ইয়াৰ অন্তৰ্গত পঞ্চায়ত পৰিষদৰ পৰা সমানুপাতিক সদস্যৰ দ্বাৰা বিধান পৰিষদে মনোনীত কৰিব।

১। **সাধাৰণ সভা গঠন ঃ** মণ্ডল পৰিষদৰ এলেকাৰ অন্তৰ্গত প্ৰত্যেক পঞ্চায়ত বা নগৰ পৰিষদৰ সাধাৰণ অধিৱেশনৰ দ্বাৰা নিৰ্বাচিত ১০ জনকৈ সদস্যৰে মণ্ডল পৰিষদৰ সাধাৰণ সভা গঠন হ'ব। ইয়াৰ কাৰ্যকাল তিনি বছৰ হ'ব।

২। **সাধাৰণ পৰিষদৰ সভা আহ্বান ঃ** প্ৰতি বছৰৰ মূৰে মূৰে একোখন বাৰ্ষিক সাধাৰণ সভা আৰু কাৰ্যকালৰ শেষৰ বছৰৰ মূৰত সাধাৰণ

অধিৱেশন আহ্বান কৰিব লাগিব। প্ৰয়োজন হ'লে বিশেষ সাধাৰণ সভাও আহ্বান কৰিব পাৰিব। সভাপতিৰ সন্মতি সাপেক্ষে সম্পাদকে সভা আহ্বান কৰিব।

৩। **সভাৰ জাননী ঃ** নিৰ্দ্ধাৰিত সভাৰ তাৰিখৰ পৰা বিশেষ সাধাৰণ সভাৰ ক্ষেত্ৰত ৭ দিনৰ, বাৰ্ষিক সাধাৰণ সভাৰ ক্ষেত্ৰত ১০ দিনৰ আৰু সাধাৰণ অধিৱেশনৰ ক্ষেত্ৰত ১৫ দিনৰ পূৰ্বে জাননী প্ৰকাশ কৰিব লাগিব।

৪। **সাধাৰণ সভাৰ থূল ঃ** মুঠ সদস্যৰ এক তৃতীয়াংশ সদস্য উপস্থিত থাকিলে সভাৰ থূল হ'ব আৰু উপস্থিত সদস্যৰ একাধিক ভোটৰ দ্বাৰা সকলো বিষয়ৰ মীমাংসা হ'ব। সমান সমান ভোট হ'লে সভাপতিয়ে এটা অতিৰিক্ত বা নিৰ্ণায়ক ভোট দিব পাৰিব।

**২২। দায়িত্ব আৰু কৰ্তব্য ঃ**

মণ্ডল পৰিষদৰ সাধাৰণ সভাৰ দায়িত্ব আৰু কৰ্তব্য প্ৰধানকৈ হ'ব ঃ

১। কাৰ্যনিৰ্বাহক সভা গঠন কৰা,

২। বিধান পৰিষদৰ সাধাৰণ পৰিষদৰ সভালৈ প্ৰতিনিধি নিৰ্বাচন কৰা,

৩। দলীয় নীতি আৰু আদৰ্শৰ সপক্ষে জনমত গঠনৰ আঁচনি যুগুত কৰা,

৪। স্থানীয় সমস্যা চিহ্নিত কৰি তাৰ সমাধানৰ অৰ্থে কৰ্মসূচী যুগুত কৰা,

৫। তৃণমূল পৰ্যায়ত দলৰ স্থিতি সুদৃঢ় কৰাৰ অৰ্থে কৌশল ৰচনা কৰা, .

৬। বাৰ্ষিক হিচাপ অনুমোদন কৰা।

**২৩। মণ্ডল পৰিষদৰ কাৰ্যনিৰ্বাহক সমিতি গঠন ঃ**

১। সাধাৰণ অধিৱেশনৰ দ্বাৰা নিৰ্বাচিত কৰিব লগা বিষয়ববীয়াকে ধৰি মুঠ ৩৫ জন সদস্যৰে মণ্ডল পৰিষদৰ কাৰ্যনিৰ্বাহক সমিতি গঠন হ'ব। এই সমিতিখনৰ এজন সভাপতি, তিনিজন উপ-সভাপতি, দুজন সম্পাদক, এজন সম্পাদক তথ্য-প্ৰযুক্তি, তিনিজন সহকাৰী সম্পাদক আৰু ২৫ জন কাৰ্যনিৰ্বাহক সদস্য সাধাৰণ সভাই পোনপটীয়াকৈ নিৰ্বাচিত কৰিব।

**মণ্ডল পৰিষদ সমিতি**

| | | |
|---|---|---|
| ক) | সভাপতি | ১ জন |
| খ) | উপ-সভাপতি | ৩ জন |
| গ) | সম্পাদক | ২ জন |
| ঘ) | সম্পাদক তথ্য-প্ৰযুক্তি | ১ জন |
| ঙ) | সহকাৰী সম্পাদক | ৩ জন |
| চ) | কাৰ্যনিৰ্বাহক সদস্য | ২৫ জন |
| | মুঠ ঃ | ৩৫ জন |

ইয়াৰ উপৰিও মণ্ডল পৰিষদৰ অন্তৰ্গত পূৰ্ণ পৰ্যায়ত গঠিত দলৰ ভাতৃ-ভগ্নী সংগঠনৰ সভাপতি/সভানেত্ৰীসকল, দলৰ পৰা নিৰ্বাচিত জিলা পৰিষদৰ সদস্য, পঞ্চায়ত বা নগৰ পৰিষদৰ কাৰ্যনিৰ্বাহকৰ পদেন সদস্য হিচাপে অতিৰিক্তভাৱে অন্তৰ্ভুক্ত হ'ব। পদেন সদস্যৰ ভোটাধিকাৰ থাকিব কিন্তু কাৰ্যনিৰ্বাহকৰ বিষয়বাব ল'ব নোৱাৰিব।

২। **উপদেষ্টা ঃ** মণ্ডল পৰিষদৰ পূৰ্ববৰ্তী কাৰ্যকালৰ সভাপতিক কাৰ্যনিৰ্বাহকৰ উপদেষ্টাৰূপে মনোনীত কৰাৰ উপৰিও পঞ্চায়ত বা নগৰ পৰিষদৰ সাধাৰণ সদস্যৰ মাজৰ পৰা অতিৰিক্ত দুজনক মণ্ডল পৰিষদৰ উপদেষ্টা হিচাপে মণ্ডল পৰিষদৰ সভাপতিয়ে কাৰ্যনিৰ্বাহকৰ প্ৰথমখন সভাত সভাৰ অনুমোদন সাপেক্ষে মনোনীত কৰিব। উপদেষ্টাৰ ভোটাধিকাৰ নাথাকিব।

৩। **সভাৰ আহ্বান ঃ** বছৰেকত অন্ততঃ তিনিখন মণ্ডল পৰিষদৰ কাৰ্যনিৰ্বাহকৰ সভা আহ্বান কৰিব লাগিব। সভাপতিৰ সন্মতি সাপেক্ষে সম্পাদকে সভা আহ্বান কৰিব।

৪। **সভাৰ জাননী ঃ** নিৰ্দ্ধাৰিত দিনৰ পৰা ৭ দিন পূৰ্বে জাননী প্ৰকাশ কৰি সভা আহ্বান কৰিব লাগিব।

৫। **সভাৰ থূল ঃ** এক তৃতীয়াংশ সদস্য উপস্থিত থাকিলে সভাৰ থূল হ'ব আৰু একাধিক ভোটৰ দ্বাৰা সকলো বিষয়ৰ মীমাংসা হ'ব। সমান সমান ভোট হ'লে সভাপতিয়ে এটা অতিৰিক্ত বা নিৰ্ণায়ক ভোট দিব পাৰিব।

৬। **তলবী সভা ঃ** কোনো জৰুৰী পৰিস্থিতিৰ উদ্ভৱ হ'লে বা দলীয় স্বাৰ্থত প্ৰয়োজন বিবেচনা কৰিলে এক তৃতীয়াংশ সদস্যই সভাপতিলৈ তলবী সভাৰ জাননী দিব পাৰিব আৰু তেনে জাননী পোৱাৰ পৰা সাত দিনৰ ভিতৰত সভা আহ্বান কৰিব লাগিব।

২৪। **মণ্ডল পৰিষদৰ কাৰ্যনিৰ্বাহক সভাৰ দায়িত্ব আৰু কৰ্তব্য ঃ**

মণ্ডল পৰিষদৰ কাৰ্যনিৰ্বাহকৰ দায়িত্ব আৰু কৰ্তব্য প্ৰধানকৈ হ'ব ঃ

১। মণ্ডল পৰিষদৰ সাধাৰণ সভা আৰু অধিৱেশনৰ প্ৰস্তাৱ আৰু সিদ্ধান্ত কাৰ্যকৰী কৰা,

২। বিধান পৰিষদকে আদি কৰি দলৰ ওপৰৰ স্তৰৰ পৰা অহা নিৰ্দেশ কাৰ্যকৰী কৰা,

৩। পঞ্চায়ত বা নগৰ পৰিষদৰ কাম-কাজ পৰ্যবেক্ষণ কৰা আৰু পৰামৰ্শ দিয়া,

৪। দলীয় কৰ্মসূচী ৰূপায়ণ কৰা আৰু মণ্ডল পৰিষদ পৰ্যায়ত সংগঠিত জনস্বাৰ্থ বিৰোধী যিকোনো কাৰ্যৰ প্ৰতিবাদ সাব্যস্ত কৰি ন্যায় প্ৰতিষ্ঠাৰ বাবে প্ৰচেষ্টা চলোৱা,

৫। সম্পাদকৰ প্ৰতিবেদন আৰু হিচাপ পৰীক্ষকৰ প্ৰতিবেদন আদি সাধাৰণ সভা আৰু অধিৱেশনৰ বিবেচনা আৰু অনুমোদনৰ বাবে আগবঢ়োৱা।

২৫। **বিষয়ববীয়াৰ দায়িত্ব আৰু কৰ্তব্য ঃ**

বিষয়ববীয়াসকলৰ দায়িত্ব আৰু কৰ্তব্য হ'ব ঃ

১। **উপদেষ্টা ঃ** মণ্ডল পৰিষদৰ সকলো সভাত উপস্থিত থাকি প্ৰয়োজনীয় পৰামৰ্শ দিব।

২। **সভাপতি ঃ** মণ্ডল পৰিষদৰ সকলো সভাত সভাপতিত্ব কৰাৰ উপৰিও সেই পৰ্যায়ত দলীয় মুৰব্বী হিচাপে সকলো দায়িত্ব সভাপতিৰ ওপৰত ন্যস্ত থাকিব। সভাপতিয়ে প্ৰাণ পৰিষদৰ পৰ্যায়ত দলৰ মুখপাত্ৰ হ'ব।

৩। **উপ-সভাপতি ঃ** সভাপতিৰ অনুপস্থিতিত সভাপতিৰ সকলো দায়িত্ব পালন কৰাৰ উপৰিও কাৰ্যনিৰ্বাহক সভাই আৰোপ কৰা দায়িত্ব পালন কৰিব।

৪। **সম্পাদক ঃ** মুখ্য কাৰ্যবাহী বিষয়ববীয়াৰূপে মণ্ডল পৰিষদৰ কাৰ্যালয়ৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰিব আৰু মণ্ডল পৰিষদৰ সকলো সভাৰ প্ৰস্তাৱ আৰু সিদ্ধান্তৰ লগতে বিধান, মহকুমা, জিলা আৰু কেন্দ্ৰীয় পৰিষদৰ নিৰ্দেশ কাৰ্যকৰী কৰিব। সম্পাদক পঞ্চায়ত বা নগৰ পৰিষদ পৰ্যায়ত দলৰ অন্যতম মুখপাত্ৰ হ'ব।

৫। **তথ্য-প্ৰযুক্তি সম্পাদক ঃ** তথ্য-প্ৰযুক্তি সম্পাদকে সকলো তথ্য কম্পিউটাৰত সংৰক্ষণ কৰিব আৰু এটা প্ৰযুক্তি কোষ গঠন কৰিব। যাৰ জৰিয়তে 'ছ'ছিয়েল মিডিয়া'কে ধৰি দলৰ ভাৱমূৰ্ত্তি উজ্জ্বল কৰাৰ ক্ষেত্ৰত প্ৰযুক্তিৰ দ্বাৰা সংযোগ স্থাপন কৰিব। পঞ্চায়ত বা নগৰ পৰিষদসমূহৰ তথ্য-প্ৰযুক্তি সম্পাদকৰ লগত যোগাযোগ ৰক্ষা কৰি সমন্বিতভাৱে কাৰ্য পৰিচালনা কৰিব।

৬। **সহকাৰী সম্পাদক ঃ** সম্পাদকৰ অনুপস্থিতিত সম্পাদকৰ দায়িত্ব পালন কৰাৰ উপৰিও সভাপতি আৰু কাৰ্যনিৰ্বাহক সভাই আৰোপ কৰা দায়িত্ব পালন কৰিব।

**২৬। হিচাপ পৰীক্ষা ঃ**

প্ৰতি বছৰে বাৰ্ষিক সাধাৰণ সভাই প্ৰাণ পৰিষদৰ বাৰ্ষিক হিচাপ পৰীক্ষা কৰি পৰীক্ষিত হিচাপ আৰু প্ৰতিবেদন দাখিল কৰিবলৈ সাধাৰণ সভাৰ সভ্যৰ মাজৰ পৰা দুজন হিচাপ পৰীক্ষক নিযুক্তি দিব আৰু পৰীক্ষিত হিচাপ আৰু প্ৰতিবেদন বাৰ্ষিক সাধাৰণ সভাত আৰু (শেষৰ বছৰত) সাধাৰণ অধিৱেশনৰ অনুমোদনৰ বাবে দাখিল কৰিব লাগিব।

## ষষ্ঠ খণ্ড

**২৭। বিধান পৰিষদ ঃ**

**১। সাধাৰণ সভা গঠন ঃ**

ক) বিধান সভা সমষ্টি প্ৰত্যেক প্ৰাণ পৰিষদৰ পৰা দুজন আৰু পঞ্চায়ত পৰিষদৰ পৰা পাঁচজন (সভাপতি, সম্পাদক, সম্পাদক তথ্য-প্ৰযুক্তি আৰু দুগৰাকী) সাধাৰণ সভাৰ সদস্য হ'ব।

খ) সমষ্টিৰ অন্তৰ্গত পঞ্চায়তৰ নিৰ্বাচিত সভাপতি, নিৰ্বাচিক আঞ্চলিক পঞ্চায়তৰ সদস্য, জিলা পৰিষদৰ বা নগৰ সমিতি, পৌৰসভা আদিৰ নিৰ্বাচিত সদস্য সাধাৰণ সভাৰ সদস্য হ'ব।

গ) স্থানীয় দলীয় সাংসদ আৰু স্থানীয় বিধায়ক আৰু ভাতৃ-ভগ্নী সংগঠনৰ পাঁচজনকৈ প্ৰতিনিধি সাধাৰণ সভাৰ সদস্য হ'ব।

২। **সাধাৰণ পৰিষদৰ সভা আহ্বান ঃ** প্ৰতি বছৰৰ মূৰে মূৰে একোখন বাৰ্ষিক সাধাৰণ সভা আৰু কাৰ্যকালৰ শেষৰ বছৰৰ মূৰত সাধাৰণ অধিৱেশন আহ্বান কৰিব লাগিব। প্ৰয়োজন হ'লে বিশেষ সাধাৰণ সভাও আহ্বান কৰিব পাৰিব। সভাপতিৰ সন্মতি সাপেক্ষে সম্পাদকে সভা আহ্বান কৰিব।

৩। **সভাৰ জাননী ঃ** নিৰ্দ্ধাৰিত সভাৰ তাৰিখৰ পৰা বিশেষ সাধাৰণ সভাৰ ক্ষেত্ৰত ৭ দিনৰ, বাৰ্ষিক সাধাৰণ সভাৰ ক্ষেত্ৰত ১০ দিনৰ আৰু সাধাৰণ অধিৱেশনৰ ক্ষেত্ৰত ১৫ দিনৰ পূৰ্বে জাননী প্ৰকাশ কৰিব লাগিব।

৪। **সভাৰ থূল ঃ** মুঠ সদস্যৰ এক তৃতীয়াংশ সদস্য উপস্থিত থাকিলে সভাৰ থূল হ'ব আৰু উপস্থিত সদস্যৰ একাধিক ভোটৰ দ্বাৰা সকলো বিষয়ৰ মীমাংসা হ'ব। সমান সমান ভোট হ'লে সভাপতিয়ে এটা অতিৰিক্ত বা নিৰ্ণায়ক ভোট দিব পাৰিব।

**২৮। দায়িত্ব আৰু কৰ্তব্য ঃ**

বিধান পৰিষদৰ সাধাৰণ সভাৰ দায়িত্ব আৰু কৰ্তব্য প্ৰধানকৈ হ'ব ঃ

১। কাৰ্যনিৰ্বাহক সভা গঠন কৰা,

২। প্ৰতি বিধান পৰিষদৰ পৰা এজনকৈ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক নিৰ্বাচিত কৰা,

৩। কেন্দ্ৰীয় সাধাৰণ সভালৈ প্ৰতিনিধি নিৰ্বাচন। (সভাপতি, সম্পাদক + ২ জন)

৪। সমষ্টি পৰ্যায়ৰ সাংগঠনিক কাম-কাজ।

২৯। **বিধান পৰিষদৰ কাৰ্যনিৰ্বাহক সমিতি গঠন ঃ**

১। সাধাৰণ অধিৱেশনৰ দ্বাৰা নিৰ্বাচিত কৰিব লগা বিষয়ববীয়াকে ধৰি মুঠ ৭১ জন সদস্যৰে বিধান পৰিষদৰ কাৰ্যনিৰ্বাহক সমিতি গঠন হ'ব। এই সমিতিখনৰ এজন সভাপতি, তিনিজন উপ-সভাপতি, দুজন সম্পাদক, এজন সম্পাদক তথ্য-প্ৰযুক্তি, তিনিজন সহকাৰী সম্পাদক আৰু ২৫ জন কাৰ্যনিৰ্বাহক সদস্য সাধাৰণ সভাই পোনপটীয়াকৈ নিৰ্বাচিত কৰিব।

**বিধান পৰিষদ সমিতি**

| | |
|---|---|
| ক) সভাপতি | ১ জন |
| খ) উপ-সভাপতি | ৫ জন |
| গ) সম্পাদক | ২ জন |
| ঘ) সম্পাদক তথ্য-প্ৰযুক্তি | ১ জন |
| ঙ) সহকাৰী সম্পাদক | ৫ জন |
| চ) সম্পাদক সংগঠন | ৪ জন |
| ছ) সম্পাদক বিত্ত | ১ জন |
| জ) তথ্য আৰু প্ৰচাৰ | ১ জন |
| ঝ) কাৰ্যালয় | ১ জন |
| ঞ) সদস্য | ৪৪ জন |
| ট) কেন্দ্ৰই মনোনীত কৰা | ৫ জন |
| ঠ) ভাতৃ-ভগ্নী সংগঠনৰ | ১ জনকৈ |

**বিশেষ দ্ৰষ্টব্য ঃ** বিধান পৰিষদৰ অন্তৰ্গত এলেকাৰ পৰা অতি কমেও দহ বছৰ একেধাৰে পঞ্চায়ত, নগৰ সমিতি, পৌৰসভা নাইবা কাউন্সিলসমূহত কোনো সদস্য নিৰ্বাচিত হোৱা নাই তেনে বিধান পৰিষদৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্যজন আৰু কেন্দ্ৰীয় সভালৈ প্ৰতিনিধিত্ব কৰা সভাপতি, সম্পাদক আৰু বাকী দুজন সদস্যৰ ভোটাধিকাৰ নাইবা কেন্দ্ৰীয় পৰিষদত কোনো পদবী লোৱাৰ ক্ষেত্ৰত সাংবিধানিকভাৱে বাধা থাকিব। দলৰ সংগঠনৰ স্বাৰ্থত কোনো অঞ্চলৰ যদিহে কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ সদস্য বা পদবীৰ পৰা

কোনো ধৰ্মীয় বা জনগোষ্ঠীয় লোক বাদ পৰি যায় তেনেহ'লে সেই অঞ্চল বা তেনে ধৰ্মীয় বা জনগোষ্ঠীয় সদস্যৰ মাজৰ পৰা কেন্দ্ৰীয় সভাপতিয়ে কেন্দ্ৰীয় বিষয়বাবত ১০ গৰাকীক মনোনীত কৰিব পাৰিব।

২। **উপদেষ্টা ঃ** বিধান পৰিষদৰ পূৰ্ববৰ্তী কাৰ্যকালৰ সভাপতিক কাৰ্যনিৰ্বাহকৰ উপদেষ্টাৰূপে মনোনীত কৰাৰ উপৰিও পঞ্চায়ত বা নগৰ পৰিষদৰ সাধাৰণ সদস্যৰ মাজৰ পৰা অতিৰিক্ত দুজনক বিধান পৰিষদৰ উপদেষ্টা হিচাপে বিধান পৰিষদৰ সভাপতিয়ে কাৰ্যনিৰ্বাহকৰ প্ৰথমখন সভাত সভাৰ অনুমোদন সাপেক্ষে মনোনীত কৰিব। উপদেষ্টাৰ ভোটাধিকাৰ নাথাকিব।

৩। **সভাৰ আহ্বান ঃ** বছৰেকত অন্ততঃ তিনিখন কাৰ্যনিৰ্বাহকৰ সভা আহ্বান কৰিব লাগিব। সভাপতিৰ সন্মতি সাপেক্ষে সম্পাদকে সভা আহ্বান কৰিব।

৪। **সভাৰ জাননী ঃ** নিৰ্দ্ধাৰিত দিনৰ পৰা ৭ দিন পূৰ্বে জাননী প্ৰকাশ কৰি সভা আহ্বান কৰিব লাগিব।

৫। **সভাৰ থূল ঃ** এক তৃতীয়াংশ সদস্য উপস্থিত থাকিলে সভাৰ থূল হ'ব আৰু একাধিক ভোটৰ দ্বাৰা সকলো বিষয়ৰ মীমাংসা হ'ব। সমান সমান ভোট হ'লে সভাপতিয়ে এটা অতিৰিক্ত বা নিৰ্ণায়ক ভোট দিব পাৰিব।

৬। **তলবী সভা ঃ** কোনো জৰুৰী পৰিস্থিতিৰ উদ্ভৱ হ'লে বা দলীয় স্বাৰ্থত প্ৰয়োজন বিবেচনা কৰিলে এক তৃতীয়াংশ সদস্যই সভাপতিলৈ তলবী সভাৰ জাননী দিব পাৰিব আৰু তেনে জাননী পোৱাৰ পৰা সাত দিনৰ ভিতৰত সভা আহ্বান কৰিব লাগিব।

৩০। **বিধান পৰিষদৰ কাৰ্যনিৰ্বাহক সভাৰ দায়িত্ব আৰু কৰ্তব্য ঃ**

বিধান পৰিষদৰ কাৰ্যনিৰ্বাহকৰ দায়িত্ব আৰু কৰ্তব্য প্ৰধানকৈ হ'ব ঃ

১। বিধান পৰিষদৰ সাধাৰণ সভা আৰু অধিৱেশনৰ প্ৰস্তাৱ আৰু সিদ্ধান্ত কাৰ্যকৰী কৰা,

২। মহকুমা পৰিষদকে আদি কৰি দলৰ ওপৰৰ স্তৰৰ পৰা অহা নিৰ্দেশ কাৰ্যকৰী কৰা,

৩। মণ্ডল পৰিষদৰ কাম-কাজ পৰ্যবেক্ষণ কৰা আৰু পৰামৰ্শ দিয়া,

৪। দলীয় কৰ্মসূচী ৰূপায়ণ কৰা আৰু বিধান পৰিষদ পৰ্যায়ত সংগঠিত জনস্বাৰ্থ বিৰোধী যিকোনো কাৰ্যৰ প্ৰতিবাদ সাব্যস্ত কৰি ন্যায় প্ৰতিষ্ঠাৰ বাবে প্ৰচেষ্টা চলোৱা,

৫। সম্পাদকৰ প্ৰতিবেদন আৰু হিচাপ পৰীক্ষকৰ প্ৰতিবেদন আদি সাধাৰণ সভা আৰু অধিৱেশনৰ বিবেচনা আৰু অনুমোদনৰ বাবে আগবঢ়োৱা।

**৩১। বিষয়ববীয়াৰ দায়িত্ব আৰু কৰ্তব্য ঃ**

বিষয়ববীয়াসকলৰ দায়িত্ব আৰু কৰ্তব্য হ'ব ঃ

১। **উপদেষ্টা ঃ** বিধান পৰিষদৰ সকলো সভাত উপস্থিত থাকি প্ৰয়োজনীয় পৰামৰ্শ দিব।

২। **সভাপতি ঃ** বিধান পৰিষদৰ সকলো সভাত সভাপতিত্ব কৰাৰ উপৰিও সেই পৰ্যায়ত দলীয় মুৰব্বী হিচাপে সকলো দায়িত্ব সভাপতিৰ ওপৰত ন্যস্ত থাকিব। সভাপতিয়ে বিধান পৰিষদৰ পৰ্যায়ত দলৰ মুখপাত্ৰ হ'ব।

৩। **উপ-সভাপতি ঃ** সভাপতিৰ অনুপস্থিতিত সভাপতিৰ সকলো দায়িত্ব পালন কৰাৰ উপৰিও কাৰ্যনিৰ্বাহক সভাই আৰোপ কৰা দায়িত্ব পালন কৰিব।

৪। **সম্পাদক ঃ** মুখ্য কাৰ্যবাহী বিষয়ববীয়াৰূপে বিধান পৰিষদৰ কাৰ্যালয়ৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰিব আৰু বিধান পৰিষদৰ সকলো সভাৰ প্ৰস্তাৱ আৰু সিদ্ধান্তৰ লগতে মহকুমা, জিলা আৰু কেন্দ্ৰীয় পৰিষদৰ নিৰ্দেশ কাৰ্যকৰী কৰিব। সম্পাদক বিধান পৰিষদ পৰ্যায়ত দলৰ অন্যতম মুখপাত্ৰ হ'ব।

৫। **তথ্য-প্ৰযুক্তি সম্পাদক ঃ** তথ্য-প্ৰযুক্তি সম্পাদকে সকলো তথ্য কম্পিউটাৰত সংৰক্ষণ কৰিব আৰু এটা প্ৰযুক্তি কোষ গঠন কৰিব। যাৰ জৰিয়তে 'ছ'ছিয়েল মিডিয়া'কে ধৰি দলৰ ভাৱমূৰ্ত্তি উজ্জ্বল কৰাৰ ক্ষেত্ৰত প্ৰযুক্তিৰ দ্বাৰা সংযোগ স্থাপন কৰিব। মণ্ডল পৰিষদসমূহৰ তথ্য-প্ৰযুক্তি সম্পাদকৰ লগত যোগাযোগ ৰক্ষা কৰি সমন্বিতভাৱে কাৰ্যপৰিচালনা কৰিব।

৬। **সহকাৰী সম্পাদক ঃ** সম্পাদকৰ অনুপস্থিতিত সম্পাদকৰ দায়িত্ব পালন কৰাৰ উপৰিও সভাপতি আৰু কাৰ্যনিৰ্বাহক সভাই আৰোপ কৰা দায়িত্ব পালন কৰিব।

**৩২। হিচাপ পৰীক্ষা ঃ**

প্ৰতি বছৰে বাৰ্ষিক সাধাৰণ সভাই প্ৰাণ পৰিষদৰ বাৰ্ষিক হিচাপ পৰীক্ষা কৰি পৰীক্ষিত হিচাপ আৰু প্ৰতিবেদন দাখিল কৰিবলৈ সাধাৰণ সভাৰ সভ্যৰ মাজৰ পৰা দুজন হিচাপ পৰীক্ষক নিযুক্তি দিব আৰু পৰীক্ষিত হিচাপ আৰু প্ৰতিবেদন বাৰ্ষিক সাধাৰণ সভাত আৰু (শেষৰ বছৰত) সাধাৰণ অধিৱেশনৰ অনুমোদনৰ বাবে দাখিল কৰিব লাগিব।

## সপ্তম খণ্ড

**৩৩। মহকুমা পৰিষদ (সমিতি) ঃ**

প্ৰশাসনিক মহকুমাৰ পৰিসীমাই মহকুমা পৰিষদৰ পৰিসীমা হ'ব। ইয়াৰ সদস্যৰ সংখ্যা ৪১ গৰাকী হ'ব। প্ৰশাসনিক মহকুমাৰ অন্তৰ্গত বিধান পৰিষদৰ সমানুপাতিক হাৰৰ সদস্যৰ দ্বাৰা শীৰ্ষতম কৰ্ম পৰিষদে মনোনীত কৰিব।

১। **সাধাৰণ সভা গঠন ঃ**

২। **সাধাৰণ পৰিষদৰ সভা আহ্বান ঃ** প্ৰতি বছৰৰ মূৰে মূৰে একোখন বাৰ্ষিক সাধাৰণ সভা আৰু কাৰ্যকালৰ শেষ বছৰৰ মূৰত সাধাৰণ অধিৱেশন আহ্বান কৰিব লাগিব। প্ৰয়োজন হ'লে বিশেষ সাধাৰণ সভাও আহ্বান কৰিব পাৰিব। সভাপতিৰ সন্মতি সাপেক্ষে সম্পাদকে সভা আহ্বান কৰিব।

৩। **সভাৰ জাননী ঃ** নিৰ্দ্ধাৰিত সভাৰ তাৰিখৰ পৰা বিশেষ সাধাৰণ সভাৰ ক্ষেত্ৰত ৭ দিনৰ, বাৰ্ষিক সাধাৰণ সভাৰ ক্ষেত্ৰত ১০ দিনৰ আৰু সাধাৰণ অধিৱেশনৰ ক্ষেত্ৰত ১৫ দিনৰ পূৰ্বে জাননী প্ৰকাশ কৰিব লাগিব।

৪। **সভাৰ থূল ঃ** মুঠ সদস্যৰ এক তৃতীয়াংশ সদস্য উপস্থিত থাকিলে সভাৰ থূল হ'ব আৰু উপস্থিত সদস্যৰ একাধিক ভোটৰ দ্বাৰা

সকলো বিষয়ৰ মীমাংসা হ'ব। সমান সমান ভোট হ'লে সভাপতিয়ে এটা অতিৰিক্ত বা নির্ণায়ক ভোট দিব পাৰিব।

**৩৪। দায়িত্ব আৰু কর্তব্য ঃ**

মহকুমা পৰিষদৰ সাধাৰণ সভাৰ দায়িত্ব আৰু কর্তব্য প্রধানকৈ হ'ব ঃ

১। কার্যনির্বাহ কৰা,

২। প্রশাসনীয় মহকুমাৰ অন্তর্গত বিধান পৰিষদসমূহৰ মাজত সমন্বয় সৃষ্টি কৰি সাংগঠনিক কাম-কাজসমূহ পৰিদর্শন কৰা আৰু দিহা-পৰামর্শ প্রদান কৰা।

৩। সভাপতি, সম্পাদক দুগৰাকীয়ে কেন্দ্রীয় পৰিষদৰ সাধাৰণ পৰিষদৰ সদস্য হিচাপে কার্যনির্বাহ কৰিব।

**৩৫। মহকুমা পৰিষদৰ কার্যনির্বাহক সমিতি গঠন ঃ**

১। সাধাৰণ অধিৱেশনৰ দ্বাৰা নির্বাচিত কৰিব লগা বিষয়ববীয়াকে ধৰি মুঠ ৪১ জন সদস্যৰে মহকুমা পৰিষদৰ কার্যনির্বাহক সমিতি গঠন হ'ব। এই সমিতিখনৰ এজন সভাপতি, তিনিজন উপ-সভাপতি, দুজন সম্পাদক, এজন সম্পাদক তথ্য-প্রযুক্তি, তিনিজন সহকাৰী সম্পাদক আৰু ২৭ জন কার্যনির্বাহক সদস্য সাধাৰণ সভাই পোনপটীয়াকৈ নির্বাচিত কৰিব।

**মহকুমা পৰিষদ সমিতি**

| | |
|---|---|
| ক) সভাপতি | ১ জন |
| খ) উপ-সভাপতি | ৩ জন |
| গ) সম্পাদক | ২ জন |
| ঘ) সম্পাদক তথ্য-প্রযুক্তি | ১ জন |
| ঙ) সহকাৰী সম্পাদক | ৩ জন |
| চ) সম্পাদক সংগঠন | ১ জন |
| ছ) সম্পাদক বিত্ত | ১ জন |
| জ) তথ্য আৰু প্রচাৰ | ১ জন |
| ঝ) কার্যালয় | ১ জন |
| ঞ) সদস্য | ২৭ জন |

২। **উপদেষ্টা ঃ** মহকুমা পৰিষদৰ পূৰ্বৱৰ্তী কাৰ্যকালৰ সভাপতিক কাৰ্যনিৰ্বাহকৰ উপদেষ্টাৰূপে মনোনীত কৰাৰ উপৰিও মহকুমা পৰিষদৰ সাধাৰণ সদস্যৰ মাজৰ পৰা অতিৰিক্ত দুজনক মহকুমা পৰিষদৰ উপদেষ্টা হিচাপে মহকুমা পৰিষদৰ সভাপতিয়ে কাৰ্যনিৰ্বাহকৰ প্ৰথমখন সভাত সভাৰ অনুমোদন সাপেক্ষে মনোনীত কৰিব। উপদেষ্টাৰ ভোটাধিকাৰ নাথাকিব।

৩। **সভাৰ আহ্বান ঃ** বছৰেকত অন্ততঃ তিনিখন কাৰ্যনিৰ্বাহকৰ সভা আহ্বান কৰিব লাগিব। সভাপতিৰ সন্মতি সাপেক্ষে সম্পাদকে সভা আহ্বান কৰিব।

৪। **সভাৰ জাননী ঃ** নিৰ্দ্ধাৰিত দিনৰ পৰা ৭ দিন পূৰ্বে জাননী প্ৰকাশ কৰি সভা আহ্বান কৰিব লাগিব।

৫। **সভাৰ থূল ঃ** এক তৃতীয়াংশ সদস্য উপস্থিত থাকিলে সভাৰ থূল হ'ব আৰু একাধিক ভোটৰ দ্বাৰা সকলো বিষয়ৰ মীমাংসা হ'ব। সমান সমান ভোট হ'লে সভাপতিয়ে এটা অতিৰিক্ত বা নিৰ্ণায়ক ভোট দিব পাৰিব।

৬। **তলবী সভা ঃ** কোনো জৰুৰী পৰিস্থিতিৰ উদ্ভৱ হ'লে বা দলীয় স্বাৰ্থত প্ৰয়োজন বিবেচনা কৰিলে এক তৃতীয়াংশ সদস্যই সভাপতিলৈ তলবী সভাৰ জাননী দিব পাৰিব আৰু তেনে জাননী পোৱাৰ পৰা সাত দিনৰ ভিতৰত সভা আহ্বান কৰিব লাগিব।

**৩৬। মহকুমা পৰিষদৰ কাৰ্যনিৰ্বাহক সভাৰ দায়িত্ব আৰু কৰ্তব্য ঃ**

মহকুমা পৰিষদৰ কাৰ্যনিৰ্বাহকৰ দায়িত্ব আৰু কৰ্তব্য প্ৰধানকৈ হ'ব ঃ

১। মহকুমা পৰিষদৰ সাধাৰণ সভা আৰু অধিৱেশনৰ প্ৰস্তাৱ আৰু সিদ্ধান্ত কাৰ্যকৰী কৰা,

২। জিলা পৰিষদকে আদি কৰি দলৰ ওপৰৰ স্তৰৰ পৰা অহা নিৰ্দেশ কাৰ্যকৰী কৰা,

৩। বিধান পৰিষদৰ কাম-কাজ পৰ্যবেক্ষণ কৰা আৰু পৰামৰ্শ দিয়া,

৪। দলীয় কৰ্মসূচী ৰূপায়ণ কৰা আৰু মহকুমা পৰিষদ পৰ্যায়ত সংগঠিত জনস্বাৰ্থ বিৰোধী যিকোনো কাৰ্যৰ প্ৰতিবাদ সাব্যস্ত কৰি ন্যায় প্ৰতিষ্ঠাৰ বাবে প্ৰচেষ্টা চলোৱা,

৫। সম্পাদকৰ প্ৰতিবেদন আৰু হিচাপ পৰীক্ষকৰ প্ৰতিবেদন আদি সাধাৰণ সভা আৰু অধিৱেশনৰ বিবেচনা আৰু অনুমোদনৰ বাবে আগবঢ়োৱা।

৩৭। **বিষয়ববীয়াৰ দায়িত্ব আৰু কৰ্তব্য ঃ**

বিষয়ববীয়াসকলৰ দায়িত্ব আৰু কৰ্তব্য হ'ব ঃ

১। **উপদেষ্টা ঃ** মহকুমা পৰিষদৰ সকলো সভাত উপস্থিত থাকি প্ৰয়োজনীয় পৰামৰ্শ দিব।

২। **সভাপতি ঃ** মহকুমা পৰিষদৰ সকলো সভাত সভাপতিত্ব কৰাৰ উপৰিও সেই পৰ্যায়ত দলীয় মুৰব্বী হিচাপে সকলো দায়িত্ব সভাপতিৰ ওপৰত ন্যস্ত থাকিব। সভাপতিয়ে বিধান পৰিষদৰ পৰ্যায়ত দলৰ মুখপাত্ৰ হ'ব।

৩। **উপ-সভাপতি ঃ** সভাপতিৰ অনুপস্থিতিত সভাপতিৰ সকলো দায়িত্ব পালন কৰাৰ উপৰিও কাৰ্যনিৰ্বাহক সভাই আৰোপ কৰা দায়িত্ব পালন কৰিব।

৪। **সম্পাদক ঃ** মুখ্য কাৰ্যবাহী বিষয়ববীয়াৰূপে মহকুমা পৰিষদৰ কাৰ্যালয়ৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰিব আৰু বিধান পৰিষদৰ সকলো সভাৰ প্ৰস্তাৱ আৰু সিদ্ধান্তৰ লগতে জিলা আৰু কেন্দ্ৰীয় পৰিষদৰ নিৰ্দেশ কাৰ্যকৰী কৰিব। সম্পাদক বিধান পৰিষদ পৰ্যায়ত দলৰ অন্যতম মুখপাত্ৰ হ'ব।

৫। **তথ্য-প্ৰযুক্তি সম্পাদক ঃ** তথ্য-প্ৰযুক্তি সম্পাদকে সকলো তথ্য কম্পিউটাৰত সংৰক্ষণ কৰিব আৰু এটা প্ৰযুক্তি কোষ গঠন কৰিব। যাৰ জৰিয়তে 'ছ'ছিয়েল মিডিয়া'কে ধৰি দলৰ ভাৱমূৰ্ত্তি উজ্জ্বল কৰাৰ ক্ষেত্ৰত প্ৰযুক্তিৰ দ্বাৰা সংযোগ স্থাপন কৰিব। বিধান পৰিষদসমূহৰ তথ্য-প্ৰযুক্তি সম্পাদকৰ লগত যোগাযোগ ৰক্ষা কৰি সমন্বিতভাৱে কাৰ্যপৰিচালনা কৰিব।

৬। **সহকাৰী সম্পাদক ঃ** সম্পাদকৰ অনুপস্থিতিত সম্পাদকৰ দায়িত্ব পালন কৰাৰ উপৰিও সভাপতি আৰু কাৰ্যনিৰ্বাহক সভাই আৰোপ কৰা দায়িত্ব পালন কৰিব।

৩৮। হিচাপ পৰীক্ষা ঃ

প্ৰতি বছৰে বাৰ্ষিক সাধাৰণ সভাই প্ৰাণ পৰিযদৰ বাৰ্ষিক হিচাপ পৰীক্ষা কৰি পৰীক্ষিত হিচাপ আৰু প্ৰতিবেদন দাখিল কৰিবলৈ সাধাৰণ সভাৰ সভ্যৰ মাজৰ পৰা দুজন হিচাপ পৰীক্ষক নিযুক্তি দিব আৰু পৰীক্ষিত হিচাপ আৰু প্ৰতিবেদন বাৰ্ষিক সাধাৰণ সভাত আৰু (শেষৰ বছৰত) সাধাৰণ অধিৱেশনৰ অনুমোদনৰ বাবে দাখিল কৰিব লাগিব।

## অষ্টম খণ্ড

৩৯। **জিলা পৰিষদ ঃ**

প্ৰশাসনিক জিলাৰ পৰিসীমাই জিলা পৰিষদৰ পৰিসীমা হ'ব। ইয়াৰ সদস্যৰ সংখ্যা ৩৯ গৰাকী হ'ব। প্ৰশাসনিক জিলাৰ অন্তৰ্গত বিধান পৰিষদৰ সমানুপাতিক হাৰৰ সদস্যৰ দ্বাৰা শীৰ্যতম কৰ্ম পৰিষদে মনোনীত কৰিব।

১। **সাধাৰণ সভা গঠন ঃ**

২। **সাধাৰণ পৰিষদৰ সভা আহ্বান ঃ** প্ৰতি বছৰৰ মূৰে মূৰে একোখন বাৰ্ষিক সাধাৰণ সভা আৰু কাৰ্যকালৰ শেষ বছৰৰ মূৰত সাধাৰণ অধিৱেশন আহ্বান কৰিব লাগিব। প্ৰয়োজন হ'লে বিশেষ সাধাৰণ সভাও আহ্বান কৰিব পাৰিব। সভাপতিৰ সন্মতি সাপেক্ষে সম্পাদকে সভা আহ্বান কৰিব।

৩। **সভাৰ জাননী ঃ** নিৰ্দ্ধাৰিত সভাৰ তাৰিখৰ পৰা বিশেষ সাধাৰণ সভাৰ ক্ষেত্ৰত ৭ দিনৰ, বাৰ্ষিক সাধাৰণ সভাৰ ক্ষেত্ৰত ১০ দিনৰ আৰু সাধাৰণ অধিৱেশনৰ ক্ষেত্ৰত ১৫ দিনৰ পূৰ্বে জাননী প্ৰকাশ কৰিব লাগিব।

৪। **সভাৰ থূল ঃ** মুঠ সদস্যৰ এক তৃতীয়াংশ সদস্য উপস্থিত থাকিলে সভাৰ থূল হ'ব আৰু উপস্থিত সদস্যৰ একাধিক ভোটৰ দ্বাৰা সকলো বিষয়ৰ মীমাংসা হ'ব। সমান সমান ভোট হ'লে সভাপতিয়ে এটা অতিৰিক্ত বা নিৰ্ণায়ক ভোট দিব পাৰিব।

৪০। **দায়িত্ব আৰু কৰ্তব্য ঃ**

জিলা পৰিষদৰ সাধাৰণ সভাৰ দায়িত্ব আৰু কৰ্তব্য প্ৰধানকৈ হ'ব ঃ

১। কাৰ্যনিৰ্বাহ কৰা,

২। প্ৰশাসনীয় জিলাৰ অন্তৰ্গত বিধান পৰিষদ আৰু মহকুমা পৰিষদসমূহৰ মাজত সমন্বয় সৃষ্টি কৰি সাংগঠনিক কাম-কাজসমূহ পৰিদৰ্শন কৰা আৰু দিহা-পৰামৰ্শ প্ৰদান কৰা।

৩। সভাপতি, সম্পাদক দুগৰাকীয়ে কেন্দ্ৰীয় পৰিষদৰ সাধাৰণ পৰিষদৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰিব।

৪১। **জিলা পৰিষদৰ কাৰ্যনিৰ্বাহক সমিতি গঠন ঃ**

১। সাধাৰণ অধিৱেশনৰ দ্বাৰা নিৰ্বাচিত কৰিব লগা বিষয়ববীয়াকে ধৰি মুঠ ৪১ জন সদস্যৰে মহকুমা পৰিষদৰ কাৰ্যনিৰ্বাহক সমিতি গঠন হ'ব। এই সমিতিখনৰ এজন সভাপতি, তিনিজন উপ-সভাপতি, দুজন সম্পাদক, এজন সম্পাদক তথ্য-প্ৰযুক্তি, তিনিজন সহকাৰী সম্পাদক আৰু ২৭ জন কাৰ্যনিৰ্বাহক সদস্য সাধাৰণ সভাই পোনপটীয়াকৈ নিৰ্বাচিত কৰিব।

**জিলা পৰিষদ সমিতি**

| | |
|---|---|
| ক) সভাপতি | ১ জন |
| খ) উপ-সভাপতি | ৩ জন |
| গ) সম্পাদক | ২ জন |
| ঘ) সম্পাদক তথ্য-প্ৰযুক্তি | ১ জন |
| ঙ) সহকাৰী সম্পাদক | ৩ জন |
| চ) সম্পাদক সংগঠন | ১ জন |
| ছ) সম্পাদক বিত্ত | ১ জন |
| জ) তথ্য আৰু প্ৰচাৰ | ১ জন |
| ঝ) কাৰ্যালয় | ১ জন |
| ঞ) সদস্য | ২৫ জন |

২। **উপদেষ্টা ঃ** জিলা পৰিষদৰ পূৰ্বৱতী কাৰ্যকালৰ সভাপতিক কাৰ্যনিৰ্বাহকৰ উপদেষ্টাৰূপে মনোনীত কৰাৰ উপৰিও জিলা পৰিষদৰ সাধাৰণ সদস্যৰ মাজৰ পৰা অতিৰিক্ত দুজনক জিলা পৰিষদৰ উপদেষ্টা হিচাপে জিলা পৰিষদৰ সভাপতিয়ে কাৰ্যনিৰ্বাহকৰ প্ৰথমখন সভাত সভাৰ অনুমোদন সাপেক্ষে মনোনীত কৰিব। উপদেষ্টাৰ ভোটাধিকাৰ নাথাকিব।

৩। **সভাৰ আহ্বান ঃ** বছৰেকত অন্ততঃ তিনিখন কাৰ্যনিৰ্বাহকৰ সভা আহ্বান কৰিব লাগিব। সভাপতিৰ সন্মতি সাপেক্ষে সম্পাদকে সভা আহ্বান কৰিব।

৪। **সভাৰ জাননী ঃ** নিৰ্দ্ধাৰিত দিনৰ পৰা ৭ দিন পূৰ্বে জাননী প্ৰকাশ কৰি সভা আহ্বান কৰিব লাগিব।

৫। **সভাৰ থূল ঃ** এক তৃতীয়াংশ সদস্য উপস্থিত থাকিলে সভাৰ থূল হ'ব আৰু একাধিক ভোটৰ দ্বাৰা সকলো বিষয়ৰ মীমাংসা হ'ব। সমান সমান ভোট হ'লে সভাপতিয়ে এটা অতিৰিক্ত বা নিৰ্ণায়ক ভোট দিব পাৰিব।

৬। **তলবী সভা ঃ** কোনো জৰুৰী পৰিস্থিতিৰ উদ্ভৱ হ'লে বা দলীয় স্বাৰ্থত প্ৰয়োজন বিবেচনা কৰিলে এক তৃতীয়াংশ সদস্যই সভাপতিলৈ তলবী সভাৰ জাননী দিব পাৰিব আৰু তেনে জাননী পোৱাৰ পৰা সাত দিনৰ ভিতৰত সভা আহ্বান কৰিব লাগিব।

**৪২। জিলা পৰিষদৰ কাৰ্যনিৰ্বাহক সভাৰ দায়িত্ব আৰু কৰ্তব্য ঃ**

জিলা পৰিষদৰ কাৰ্যনিৰ্বাহকৰ দায়িত্ব আৰু কৰ্তব্য প্ৰধানকৈ হ'ব ঃ

১। জিলা পৰিষদৰ সাধাৰণ সভা আৰু অধিৱেশনৰ প্ৰস্তাৱ আৰু সিদ্ধান্ত কাৰ্যকৰী কৰা,

২। সংসদীয় পৰিষদকে আদি কৰি দলৰ ওপৰৰ স্তৰৰ পৰা অহা নিৰ্দেশ কাৰ্যকৰী কৰা,

৩। মহকুমা পৰিষদৰ কাম-কাজ পৰ্যবেক্ষণ কৰা আৰু পৰামৰ্শ দিয়া,

৪। দলীয় কৰ্মসূচী ৰূপায়ণ কৰা আৰু জিলা পৰিষদ পৰ্যায়ত সংগঠিত জনস্বাৰ্থ বিৰোধী যিকোনো কাৰ্যৰ প্ৰতিবাদ সাব্যস্ত কৰি ন্যায় প্ৰতিষ্ঠাৰ বাবে প্ৰচেষ্টা চলোৱা,

৫। সম্পাদকৰ প্ৰতিবেদন আৰু হিচাপ পৰীক্ষকৰ প্ৰতিবেদন আদি সাধাৰণ সভা আৰু অধিৱেশনৰ বিবেচনা আৰু অনুমোদনৰ বাবে আগবঢ়োৱা।

৪৩। **বিষয়ববীয়াৰ দায়িত্ব আৰু কৰ্তব্য ঃ**

বিষয়ববীয়াসকলৰ দায়িত্ব আৰু কৰ্তব্য হ'ব ঃ

১। **উপদেষ্টা ঃ** জিলা পৰিষদৰ সকলো সভাত উপস্থিত থাকি প্ৰয়োজনীয় পৰামৰ্শ দিব।

২। **সভাপতি ঃ** জিলা পৰিষদৰ সকলো সভাত সভাপতিত্ব কৰাৰ উপৰিও সেই পৰ্যায়ত দলীয় মুৰব্বী হিচাপে সকলো দায়িত্ব সভাপতিৰ ওপৰত ন্যস্ত থাকিব। সভাপতিয়ে জিলা পৰিষদৰ পৰ্যায়ত দলৰ মুখপাত্ৰ হ'ব।

৩। **উপ-সভাপতি ঃ** সভাপতিৰ অনুপস্থিতিত সভাপতিৰ সকলো দায়িত্ব পালন কৰাৰ উপৰিও কাৰ্যনিৰ্বাহক সভাই আৰোপ কৰা দায়িত্ব পালন কৰিব।

৪। **সম্পাদক ঃ** মুখ্য কাৰ্যবাহী বিষয়ববীয়াৰূপে জিলা পৰিষদৰ কাৰ্যালয়ৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰিব আৰু জিলা পৰিষদৰ সকলো সভাৰ প্ৰস্তাৱ আৰু সিদ্ধান্তৰ লগতে কেন্দ্ৰীয় পৰিষদৰ নিৰ্দেশ কাৰ্যকৰী কৰিব। সম্পাদক জিলা পৰিষদ পৰ্যায়ত দলৰ অন্যতম মুখপাত্ৰ হ'ব।

৫। **তথ্য-প্ৰযুক্তি সম্পাদক ঃ** তথ্য-প্ৰযুক্তি সম্পাদকে সকলো তথ্য কম্পিউটাৰত সংৰক্ষণ কৰিব আৰু এটা প্ৰযুক্তি কোষ গঠন কৰিব। যাৰ জৰিয়তে 'ছ'ছিয়েল মিডিয়া'কে ধৰি দলৰ ভাৱমূৰ্ত্তি উজ্জ্বল কৰাৰ ক্ষেত্ৰত প্ৰযুক্তিৰ দ্বাৰা সংযোগ স্থাপন কৰিব। মহকুমা পৰিষদসমূহৰ তথ্য-প্ৰযুক্তি সম্পাদকৰ লগত যোগাযোগ ৰক্ষা কৰি সমন্বিতভাৱে কাৰ্যপৰিচালনা কৰিব।

৬। **সহকাৰী সম্পাদক ঃ** সম্পাদকৰ অনুপস্থিতিত সম্পাদকৰ দায়িত্ব পালন কৰাৰ উপৰিও সভাপতি আৰু কাৰ্যনিৰ্বাহক সভাই আৰোপ কৰা দায়িত্ব পালন কৰিব।

৪৪। **হিচাপ পৰীক্ষা ঃ**

প্ৰতি বছৰে বাৰ্ষিক সাধাৰণ সভাই প্ৰাণ পৰিষদৰ বাৰ্ষিক হিচাপ পৰীক্ষা কৰি পৰীক্ষিত হিচাপ আৰু প্ৰতিবেদন দাখিল কৰিবলৈ সাধাৰণ সভাৰ সভ্যৰ মাজৰ পৰা দুজন হিচাপ পৰীক্ষক নিযুক্তি দিব আৰু পৰীক্ষিত হিচাপ আৰু প্ৰতিবেদন বাৰ্ষিক সাধাৰণ সভাত আৰু (শেষৰ বছৰত) সাধাৰণ অধিৱেশনৰ অনুমোদনৰ বাবে দাখিল কৰিব লাগিব।

## নৱম খণ্ড

৪৫। **সংসদীয় পৰিষদ ঃ**

লোকসভা সমষ্টিৰ পৰিসীমাই সংসদীয় পৰিষদৰ পৰিসীমা হ'ব। ইয়াৰ সদস্যৰ সংখ্যা ৩৯ গৰাকী হ'ব। লোকসভা সমষ্টিৰ অন্তৰ্গত বিধান পৰিষদৰ সমানুপাতিক হাৰৰ সদস্যৰ দ্বাৰা শীৰ্ষতম কৰ্ম পৰিষদে মনোনীত কৰিব।

১। **সাধাৰণ সভা গঠন ঃ**

২। **সাধাৰণ পৰিষদৰ সভা আহ্বান ঃ** প্ৰতি বছৰৰ মূৰে মূৰে একোখন বাৰ্ষিক সাধাৰণ সভা আৰু কাৰ্যকালৰ শেষ বছৰৰ মূৰত সাধাৰণ অধিৱেশন আহ্বান কৰিব লাগিব। প্ৰয়োজন হ'লে বিশেষ সাধাৰণ সভাও আহ্বান কৰিব পাৰিব। সভাপতিৰ সন্মতি সাপেক্ষে সম্পাদকে সভা আহ্বান কৰিব।

৩। **সভাৰ জাননী ঃ** নিৰ্ধাৰিত সভাৰ তাৰিখৰ পৰা বিশেষ সাধাৰণ সভাৰ ক্ষেত্ৰত ৭ দিনৰ, বাৰ্ষিক সাধাৰণ সভাৰ ক্ষেত্ৰত ১০ দিনৰ আৰু সাধাৰণ অধিৱেশনৰ ক্ষেত্ৰত ১৫ দিনৰ পূৰ্বে জাননী প্ৰকাশ কৰিব লাগিব।

৪। **সভাৰ থূল ঃ** মুঠ সদস্যৰ এক তৃতীয়াংশ সদস্য উপস্থিত থাকিলে সভাৰ থূল হ'ব আৰু উপস্থিত সদস্যৰ একাধিক ভোটৰ দ্বাৰা সকলো বিষয়ৰ মীমাংসা হ'ব। সমান সমান ভোট হ'লে সভাপতিয়ে এটা অতিৰিক্ত বা নিৰ্ণায়ক ভোট দিব পাৰিব।

**৪৬। দায়িত্ব আৰু কৰ্তব্য ঃ**

সংসদীয় পৰিষদৰ সাধাৰণ সভাৰ দায়িত্ব আৰু কৰ্তব্য প্ৰধানকৈ হ'ব ঃ

ক) কাৰ্যনিৰ্বাহ কৰা

খ) সংশ্লিষ্ট লোকসভা সমষ্টিৰ অন্তৰ্গত বিধান পৰিষদসমূহৰ মাজত সমন্বয় সৃষ্টি কৰি সাংগঠনিক কাম-কাজসমূহ পৰিদৰ্শন কৰা আৰু দিহা-পৰামৰ্শ প্ৰদান কৰা।

গ) সভাপতি, সম্পাদক দুগৰাকীয়ে কেন্দ্ৰীয় পৰিষদৰ সাধাৰণ পৰিষদৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰিব।

**৪৭। সংসদীয় পৰিষদৰ কাৰ্যনিৰ্বাহক সমিতি গঠন ঃ**

১। সাধাৰণ অধিৱেশনৰ দ্বাৰা নিৰ্বাচিত কৰিব লগা বিষয়ববীয়াকে ধৰি মুঠ ৪১ জন সদস্যৰে সংসদীয় পৰিষদৰ কাৰ্যনিৰ্বাহক সমিতি গঠন হ'ব। এই সমিতিখনৰ এজন সভাপতি, তিনিজন উপ-সভাপতি, দুজন সম্পাদক, এজন সম্পাদক তথ্য-প্ৰযুক্তি, তিনিজন সহকাৰী সম্পাদক আৰু ২৭ জন কাৰ্যনিৰ্বাহক সদস্য সাধাৰণ সভাই পোনপটীয়াকৈ নিৰ্বাচিত কৰিব।

**সংসদীয় পৰিষদ সমিতি**

| | |
|---|---|
| ক) সভাপতি | ১ জন |
| খ) উপ-সভাপতি | ৩ জন |
| গ) সম্পাদক | ২ জন |
| ঘ) সম্পাদক তথ্য-প্ৰযুক্তি | ১ জন |
| ঙ) সহকাৰী সম্পাদক | ৩ জন |
| চ) সম্পাদক সংগঠন | ১ জন |
| ছ) সম্পাদক বিত্ত | ১ জন |
| জ) তথ্য আৰু প্ৰচাৰ | ১ জন |
| ঝ) কাৰ্যালয় | ১ জন |
| ঞ) সদস্য | ২৭ জন |

২। **উপদেষ্টা ঃ** সংসদীয় পৰিষদৰ পূৰ্ববৰ্তী কাৰ্যকালৰ সভাপতিক কাৰ্যনিৰ্বাহকৰ উপদেষ্টাৰূপে মনোনীত কৰাৰ উপৰিও সংসদীয় পৰিষদৰ সাধাৰণ সদস্যৰ মাজৰ পৰা অতিৰিক্ত দুজনক সংসদীয় পৰিষদৰ উপদেষ্টা হিচাপে সংসদীয় পৰিষদৰ সভাপতিয়ে কাৰ্যনিৰ্বাহকৰ প্ৰথমখন সভাত সভাৰ অনুমোদন সাপেক্ষে মনোনীত কৰিব। উপদেষ্টাৰ ভোটাধিকাৰ নাথাকিব।

৩। **সভাৰ আহ্বান ঃ** বছৰেকত অন্ততঃ তিনিখন কাৰ্যনিৰ্বাহকৰ সভা আহ্বান কৰিব লাগিব। সভাপতিৰ সন্মতি সাপেক্ষে সম্পাদকে সভা আহ্বান কৰিব।

৪। **সভাৰ জাননী ঃ** নিৰ্ধাৰিত দিনৰ পৰা ৭ দিন পূৰ্বে জাননী প্ৰকাশ কৰি সভা আহ্বান কৰিব লাগিব।

৫। **সভাৰ থূল ঃ** এক তৃতীয়াংশ সদস্য উপস্থিত থাকিলে সভাৰ থূল হ'ব আৰু একাধিক ভোটৰ দ্বাৰা সকলো বিষয়ৰ মীমাংসা হ'ব। সমান সমান ভোট হ'লে সভাপতিয়ে এটা অতিৰিক্ত বা নিৰ্ণায়ক ভোট দিব পাৰিব।

৬। **তলবী সভা ঃ** কোনো জৰুৰী পৰিস্থিতিৰ উদ্ভৱ হ'লে বা দলীয় স্বাৰ্থত প্ৰয়োজন বিবেচনা কৰিলে এক তৃতীয়াংশ সদস্যই সভাপতিলৈ তলবী সভাৰ জাননী দিব পাৰিব আৰু তেনে জাননী পোৱাৰ পৰা সাত দিনৰ ভিতৰত সভা আহ্বান কৰিব লাগিব।

**৪৮। সংসদীয় পৰিষদ কাৰ্যনিৰ্বাহক সভাৰ দায়িত্ব আৰু কৰ্তব্য ঃ**

সংসদীয় পৰিষদৰ কাৰ্যনিৰ্বাহকৰ দায়িত্ব আৰু কৰ্তব্য প্ৰধানকৈ হ'ব ঃ

১। সংসদীয় পৰিষদৰ সাধাৰণ সভা আৰু অধিৱেশনৰ প্ৰস্তাৱ আৰু সিদ্ধান্ত কাৰ্যকৰী কৰা,

২। কেন্দ্ৰীয় পৰিষদকে আদি কৰি দলৰ ওপৰৰ স্তৰৰ পৰা অহা নিৰ্দেশ কাৰ্যকৰী কৰা,

৩। জিলা পৰিষদৰ কাজ-কাম পৰ্যবেক্ষণ কৰা আৰু পৰামৰ্শ দিয়া,

৪। দলীয় কৰ্মসূচী ৰূপায়ণ কৰা আৰু সংসদীয় পৰিষদ পৰ্যায়ত সংগঠিত জনস্বাৰ্থ বিৰোধী যিকোনো কাৰ্যৰ প্ৰতিবাদ সাব্যস্ত কৰি ন্যায় প্ৰতিষ্ঠাৰ বাবে প্ৰচেষ্টা চলোৱা,

৫। সম্পাদকৰ প্ৰতিবেদন আৰু হিচাপ পৰীক্ষকৰ প্ৰতিবেদন আদি সাধাৰণ সভা আৰু অধিৱেশনত বিবেচনা আৰু অনুমোদনৰ বাবে আগবঢ়োৱা।

**৪৯। বিষয়ববীয়াৰ দায়িত্ব আৰু কৰ্তব্য ঃ**

বিষয়ববীয়াসকলৰ দায়িত্ব আৰু কৰ্তব্য হ'ব ঃ

১। **উপদেষ্টা ঃ** সংসদীয় পৰিষদৰ সকলো সভাত উপস্থিত থাকি প্ৰয়োজনীয় পৰামৰ্শ দিব।

২। **সভাপতি ঃ** সংসদীয় পৰিষদৰ সকলো সভাত সভাপতিত্ব কৰাৰ উপৰিও সেই পৰ্যায়ত দলীয় মুৰব্বী হিচাপে সকলো দায়িত্ব সভাপতিৰ ওপৰত ন্যস্ত থাকিব। সভাপতিয়ে সংসদীয় পৰিষদৰ পৰ্যায়ত দলৰ মুখপাত্ৰ হ'ব।

৩। **উপ-সভাপতি ঃ** সভাপতিৰ অনুপস্থিতিত সভাপতিৰ সকলো দায়িত্ব পালন কৰাৰ উপৰিও কাৰ্যনিৰ্বাহক সভাই আৰোপ কৰা দায়িত্ব পালন কৰিব।

৪। **সম্পাদক ঃ** মুখ্য কাৰ্যবাহী বিষয়ববীয়াৰূপে সংসদীয় পৰিষদৰ কাৰ্যালয়ৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰিব আৰু সংসদীয় পৰিষদৰ সকলো সভাৰ প্ৰস্তাৱ আৰু সিদ্ধান্তৰ লগতে কেন্দ্ৰীয় পৰিষদৰ নিৰ্দেশ কাৰ্যকৰী কৰিব। সম্পাদক সংসদীয় পৰিষদ পৰ্যায়ত দলৰ অন্যতম মুখপাত্ৰ হ'ব।

৫। **তথ্য প্ৰযুক্তি সম্পাদক ঃ** তথ্য প্ৰযুক্তি সম্পাদকে সকলো তথ্য কম্পিউটাৰত সংৰক্ষণ কৰিব আৰু এটা প্ৰযুক্তি কোষ গঠন কৰিব যাৰ জৰিয়তে 'ছ'ছিয়েল মিডিয়া'কে ধৰি দলৰ ভাবমূৰ্ত্তি উজ্বল কৰাৰ ক্ষেত্ৰত প্ৰযুক্তিৰ দ্বাৰা সংযোগ স্থাপন কৰিব। জিলা পৰিষদসমূহৰ তথ্য প্ৰযুক্তি সম্পাদকৰ লগত যোগাযোগ ৰক্ষা কৰি সমন্বিতভাৱে কাৰ্যপৰিচালনা কৰিব।

৬। **সহকাৰী সম্পাদক ঃ** সম্পাদকৰ অনুপস্থিতিত সম্পাদকৰ দায়িত্ব পালন কৰাৰ উপৰিও সভাপতি আৰু কাৰ্যনিৰ্বাহক সভাই আৰোপ কৰা দায়িত্ব পালন কৰিব।

৫০। হিচাপ পৰীক্ষা ঃ

প্ৰতি বছৰে বাৰ্ষিক সাধাৰণ সভাই প্ৰাণ পৰিষদৰ বাৰ্ষিক হিচাপ পৰীক্ষা কৰি পৰীক্ষিত হিচাপ আৰু প্ৰতিবেদন দাখিল কৰিবলৈ সাধাৰণ সভাৰ সভ্যৰ মাজৰ পৰা দুজন হিচাপ পৰীক্ষক নিযুক্তি দিব আৰু পৰীক্ষিত হিচাপ আৰু প্ৰতিবেদন বাৰ্ষিক সাধাৰণ সভাত আৰু (শেষৰ বছৰত) সাধাৰণ অধিৱেশনৰ অনুমোদনৰ বাবে দাখিল কৰিব লাগিব।

## দশম খণ্ড

৫১। কেন্দ্ৰীয় পৰিষদ ঃ

১। **সাধাৰণ সভা গঠন ঃ** কেন্দ্ৰীয় সাধাৰণ সভা তলত দিয়া ধৰণে গঠিত হ'ব।

ক) প্ৰত্যেক বিধান পৰিষদৰ পৰা ছয়গৰাকীকৈ

খ) দলৰ সাংসদ, বিধায়ক-বিধায়িকা

গ) প্ৰতি বিধান পৰিষদৰ পৰা নৱ নিৰ্বাচিত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য-সদস্যাসকল

ঘ) প্ৰতি মহকুমা আৰু জিলা পৰিষদৰ সভাপতি, সম্পাদকসকল

ঙ) অসম যুৱ পৰিষদ, অসম মহিলা পৰিষদ, শ্ৰম পৰিষদ অসম, অসম কৃষক পৰিষদ আদি ভাতৃ-ভগ্নী সংগঠনৰ নিৰ্বাচিত পাঁচজনকৈ প্ৰতিনিধি।

২। **সাধাৰণ পৰিষদৰ সভা আহ্বান ঃ** প্ৰতিবছৰৰ মূৰে মূৰে একোখন বাৰ্ষিক সাধাৰণ সভা আৰু কাৰ্যকালৰ শেষ বছৰৰ মূৰত সাধাৰণ অধিৱেশন আহ্বান কৰিব লাগিব। প্ৰয়োজন হ'লে বিশেষ সাধাৰণ সভাও আহ্বান কৰিব পাৰিব। সভাপতিৰ সন্মতি সাপেক্ষে সম্পাদকে সভা আহ্বান কৰিব।

৩। **সভাৰ জাননী ঃ** নিৰ্ধাৰিত সভাৰ তাৰিখৰ পৰা বিশেষ সাধাৰণ সভাৰ ক্ষেত্ৰত ৭ দিনৰ, বাৰ্ষিক সাধাৰণ সভাৰ ক্ষেত্ৰত ১০ দিনৰ আৰু সাধাৰণ অধিৱেশনৰ ক্ষেত্ৰত ১৫ দিনৰ পূৰ্বে জাননী প্ৰকাশ কৰিব লাগিব।

৪। **সভাৰ থূল ঃ** মুঠ সদস্যৰ এক তৃতীয়াংশ সদস্য উপস্থিত থাকিলে সভাৰ থূল হ'ব আৰু উপস্থিত সদস্যৰ একাধিক ভোটৰ দ্বাৰা সকলো বিষয়ৰ মীমাংসা হ'ব। সমান সমান ভোট হ'লে সভাপতিয়ে এটা অতিৰিক্ত বা নিৰ্ণায়ক ভোট দিব পাৰিব।

**৫২। দায়িত্ব আৰু কৰ্তব্য ঃ**

কেন্দ্ৰ পৰিষদৰ সাধাৰণ সভাৰ দায়িত্ব আৰু কৰ্তব্য প্ৰধানকৈ হ'ব ঃ

ক) কাৰ্যনিৰ্বাহক গঠন কৰা

খ) কেন্দ্ৰীয় পৰিষদে আগবঢ়োৱা সংবিধানৰ সংশোধনী প্ৰস্তাৱ অনুমোদন জনোৱা

গ) কেন্দ্ৰীয় পৰিষদে দাখিল কৰা বাৰ্ষিক হিচাপ অনুমোদন জনোৱা।

**৫৩। কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা গঠন ঃ**

কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাৰ সদস্য ১৭১ জন হ'ব।

| | |
|---|---|
| ক) প্ৰত্যেক বিধান পৰিষদৰ পৰা এজনকৈ | ১২৬ জন |
| খ) পূৰ্ববৰ্তী কাৰ্যকালৰ কেন্দ্ৰীয় সভাপতি এজন | ১ জন |
| গ) বিধায়িনী দলৰ দলপতি এজন | ১ |
| ঘ) সংসদীয় নেতা এজন | ১ |
| ঙ) অসম যুৱ পৰিষদ, অসম মহিলা পৰিষদ, শ্ৰম পৰিষদ অসম, অসম কৃষক পৰিষদৰ দুজনকৈ মুঠ | ৮ জন |
| চ) কেন্দ্ৰীয় সাধাৰণ অধিৱেশনৰ দ্বাৰা নিৰ্বাচিত | ৩৪ জন |
| মুঠ ঃ | ১৭১ জন |

**কেন্দ্ৰীয় বিষয়ববীয়া ঃ**

| | | |
|---|---|---|
| সভাপতি | ১ জন | |
| কাৰ্যকৰী সভাপতি | ১ জন | |
| উপ-সভাপতি | ১২ জন | (২ জন মনোনীত) |
| সাধাৰণ সম্পাদক | ৭ জন | |

| | | |
|---|---|---|
| সাধাৰণ সম্পাদক সংগঠন | ১ জন | |
| সাধাৰণ সম্পাদক প্রচাৰ | ১ জন | |
| সম্পাদক তথ্য-প্রযুক্তি | ১ জন | |
| সম্পাদক | ১৪ জন | (৪ জন মনোনীত) |
| সম্পাদক সংগঠন | ১৪ জন | (৪ জন মনোনীত) |
| সম্পাদক বিত্ত | ১ জন | |
| সম্পাদক তথ্য আৰু প্রচাৰ | ১ জন | |
| সম্পাদক কার্যালয় | ১ জন | |

৫৪। **বিষয়ববীয়াৰ দায়িত্ব আৰু কৰ্তব্য ঃ**

১। **সভাপতি ঃ** দলৰ সাংবিধানিক, সাংগঠনিক আৰু প্রশাসনীয় মুৰব্বী হিচাপে কেন্দ্ৰীয় সকলো সভাত সভাপতিত্ব কৰাৰ উপৰিও সকলো ক্ষেত্ৰতে সভাপতিৰ ওপৰত কর্তৃত্ব ন্যস্ত থাকিব আৰু দলৰ মুখপাত্ৰ হিচাপে কার্যনির্বাহ কৰিব। সভাপতিয়ে দলৰ স্বাৰ্থত বিষয়ববীয়া বা অন্য সদস্যক নির্দ্ধাৰিত দায়িত্ব অৰ্পণ কৰিব পাৰিব। দলৰ স্বাৰ্থৰ পৰিপন্থী বুলি গণ্য হ'লে সভাপতিয়ে দল আৰু ৰাজ্যখনৰ বৃহৎ স্বাৰ্থৰ বাবে তাৎক্ষণিক ব্যৱস্থা ল'ব পাৰিব।

২। **কার্যকৰী সভাপতি ঃ** সভাপতিৰ অনুপস্থিতিত সভাপতিৰ সকলো দায়িত্ব পালন কৰিব। সাময়িকভাৱে সভাপতিয়ে দায়িত্বৰ পৰা অব্যাহতি ল'লে, সেই সময়ছোৱাত কার্যকৰী সভাপতিয়ে ভাৰপ্ৰাপ্ত সভাপতিৰ কার্যনির্বাহ কৰিব।

৩। **উপ-সভাপতি ঃ** উপ-সভাপতিসকলক দলীয় সংগঠনৰ স্বাৰ্থত বিশেষ বিশেষ ক্ষেত্ৰৰ দায়িত্ব সভাপতিয়ে অৰ্পণ কৰিব পাৰিব। উপ-সভাপতিসকলৰ এজনে কেন্দ্ৰীয় কাৰ্যালয় সভাপতিৰ নির্দেশক্রমে বিশেষ ভাৱে কার্যনির্বাহ কৰিব আৰু প্রতিদিনে সংবাদমাধ্যমৰ লগতে ইলেক্ট্রনিক মাধ্যমত প্রকাশিত বাতৰিসমূহ অধ্যয়ন কৰি দলে তাৎক্ষণিকভাৱে প্ৰকাশ কৰিবলগীয়া দৃষ্টিভঙ্গীৰ ক্ষেত্ৰত তেখেতে বিশেষভাৱে দায়িত্ব গ্ৰহণ কৰি সংশ্লিষ্ট দলীয় বিষয়ববীয়াসকলক আৱশ্যকীয় পৰামৰ্শ দি সেই সমূহ কার্যকৰীকৰণৰ ওপৰত চকু ৰাখিব।

৪। **সাধাৰণ সম্পাদক ঃ** মুখ্য কাৰ্যবাহী বিষয়ববীয়া হিচাপে কেন্দ্ৰীয় কাৰ্যালয়ৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰিব আৰু কেন্দ্ৰীয় সকলো সভাৰ প্ৰস্তাৱ আৰু সিদ্ধান্ত কাৰ্যকৰী কৰিব। সাধাৰণ সম্পাদক দলৰ অন্যতম মুখপাত্ৰ হ'ব। সভাপতিয়ে সাধাৰণ সম্পাদকসকলৰ মাজত দায়িত্ব ভাগ কৰিব। এজন সাধাৰণ সম্পাদকক দলৰ মুখ্য কাৰ্যালয়ৰ প্ৰশাসনিক দায়িত্ব সভাপতিয়ে অৰ্পণ কৰিব। আইন সংক্ৰান্তীয় বিষয়ত দলৰ সাধাৰণ সম্পাদকে দলক প্ৰতিনিধিত্ব কৰিব। মনোনীত সাধাৰণ সম্পাদকৰ দুজন দলীয় স্বাৰ্থত লোকসভা আৰু বিধান সভাৰ নিৰ্বাচিত দলীয় প্ৰাৰ্থী হ'ব নোৱাৰিব।

৫। **সম্পাদক ঃ** দলৰ কাৰ্যকৰী সভাপতি আৰু সাধাৰণ সম্পাদকৰ লগত আলোচনা কৰি প্ৰধানকৈ দলৰ সংগঠন শক্তিশালী কৰাৰ বাবে বিভিন্ন ক্ষেত্ৰত এই সকলৰ ওপৰত সভাপতিয়ে নিৰ্দিষ্ট দায়িত্ব অৰ্পণ কৰিব। দলৰ ভাতৃ-ভগ্নী সংগঠনসমূহৰ লগতে বিভিন্ন মণ্ডল আৰু জিলা, সমষ্টি পৰ্যায়ৰ সংগঠন শক্তিশালী কৰাৰ বাবে সম্পাদকসকলৰ সেৱা ব্যৱহাৰ কৰাৰ দিশত সভাপতিয়ে বিশেষ দৃষ্টি ৰাখিব। সম্পাদকসকলে সভাপতি আৰু সাধাৰণ সম্পাদকসকলৰ লগত যোগাযোগ ৰক্ষা কৰি দায়িত্বপ্ৰাপ্ত দলীয় কৰ্তব্য সমাপন কৰিব।

৬। **বিত্ত সম্পাদক ঃ** বিত্তীয় লেন-দেন কৰিব আৰু তাৰ হিচাপ ৰাখিব। হিচাপৰ বাবে বিত্ত সম্পাদক দায়ী হ'ব।

৭। **তথ্য প্ৰযুক্তি সম্পাদক ঃ** তথ্য প্ৰযুক্তি সম্পাদকে সকলো তথ্য কম্পিউটাৰত সংৰক্ষণ কৰিব আৰু এটা প্ৰযুক্তি কোষ গঠন কৰিব যাৰ জৰিয়তে 'ছ'ছিয়েল মিডিয়া'কৈ ধৰি দলৰ ভাৱমূৰ্ত্তি উজ্বল কৰাৰ ক্ষেত্ৰত প্ৰযুক্তিৰ দ্বাৰা সংযোগ স্থাপন কৰিব।

৮। **তথ্য আৰু প্ৰচাৰ সম্পাদক ঃ** প্ৰয়োজনীয় তথ্য সংগ্ৰহ আৰু সংৰক্ষণ কৰাৰ উপৰিও দলৰ নীতি, আদৰ্শ আৰু কৰ্মসূচী আদি প্ৰয়োজন অনুসৰি প্ৰচাৰ কৰিব।

৯। **কাৰ্যালয় সম্পাদক ঃ** কাৰ্যালয়ৰ কাম-কাজত সভাপতি আৰু সাধাৰণ সম্পাদকক সহায় কৰিব। কাৰ্যালয়ৰ কাম-কাজ নিৰীক্ষণ কৰাৰ দায়িত্বৰ লগতে কেন্দ্ৰীয় সভাৰ প্ৰস্তাৱ আৰু সিদ্ধান্ত কাৰ্যকৰীকৰণৰ দিশত বিশেষ দৃষ্টি ৰাখিব। কাৰ্যালয়ৰ সকলো ৰেকৰ্ড আৱশ্যকীয় নথি সঠিকভাৱে ৰাখিব লাগিব।

**পদবী লোৱাৰ বাধকতা ঃ**

দলৰ যিকোনো বিষয়ববীয়াই এটা মাত্ৰ চৰকাৰী বিষয়বাব আৰু এটা দলীয় বিষয়বাব একে সময়তে গ্ৰহণ কৰিব পাৰিব।

**৫৫। হিচাপ পৰীক্ষা ঃ**

প্ৰতি বছৰে বাৰ্ষিক সাধাৰণ সভাই কেন্দ্ৰীয় বাৰ্ষিক হিচাপ পৰীক্ষা কৰি পৰীক্ষিত হিচাপ আৰু প্ৰতিবেদন দাখিল কৰিবলৈ সাধাৰণ সভাৰ সদস্যৰ মাজৰ পৰা দুজন হিচাপ পৰীক্ষক নিযুক্তি দিব আৰু পৰীক্ষিত হিচাপ আৰু প্ৰতিবেদন বাৰ্ষিক সাধাৰণ সভাত আৰু (শেষৰ বছৰত) সাধাৰণ অধিৱেশনৰ অনুমোদনৰ বাবে দাখিল কৰিব লাগিব।

## একাদশ খণ্ড

**৫৬। শীৰ্ষতম কৰ্ম পৰিষদ ঃ**

সাধাৰণ অধিৱেশনৰ পিছত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ প্ৰথমখন সভাত দলৰ শীৰ্ষতম কৰ্ম পৰিষদ গঠন হ'ব। এই সমিতিখন সৰ্বাধিক ২১ গৰাকী সদস্যৰে গঠিত হ'ব।

ক) দলৰ সভাপতি, কাৰ্যকৰী সভাপতি, সাধাৰণ সম্পাদকসকল, দলৰ সংসদীয় নেতা, বিধায়িনী দলৰ দলপতি সদস্য হ'ব।

খ) বাকী সদস্য নিৰ্বাচিত কৰিব।

গ) দলৰ সভাপতি শীৰ্ষতম কৰ্ম পৰিষদৰো সভাপতি হ'ব।

ঘ) এজন সাধাৰণ সম্পাদক শীৰ্ষতম কৰ্ম পৰিষদৰ আহ্বায়ক হ'ব।

**৫৭। দায়িত্ব আৰু কৰ্তব্য ঃ**

ক) দলৰ নীতি আৰু ৰাজনৈতিক কৌশল গ্ৰহণ কৰাৰ ক্ষেত্ৰত শীৰ্ষতম কৰ্ম পৰিষদৰ চূড়ান্ত ক্ষমতা থাকিব।

খ) দলৰ কোনো জৰুৰী পৰিস্থিতি উদ্ভৱ হ'লে শীৰ্ষতম কৰ্ম পৰিষদে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব পাৰিব।

## দ্বাদশ খণ্ড

৫৮। স্বীকৃত সংগঠন (ভাতৃ-ভগ্নী) ঃ

তলত উল্লেখ কৰা দলৰ সংগঠন থাকিব।

১। **অসম ছাত্ৰ পৰিষদ ঃ** অসমৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ বাবে 'অসম ছাত্ৰ পৰিষদ'।

২। **অসম কৃষক পৰিষদ ঃ** ৰাজ্যখনৰ কৃষক পৰিষদৰ বাবে 'অসম কৃষক পৰিষদ'।

৩। **শ্ৰম পৰিষদ, অসম ঃ** ৰাজ্যখনৰ শ্ৰমিক-কৰ্মচাৰীৰ বাবে 'শ্ৰম পৰিষদ, অসম'।

৪। **অসম মহিলা পৰিষদ ঃ** ৰাজ্যখনৰ মহিলাসকলৰ বাবে 'অসম মহিলা পৰিষদ'।

৫। **অসম যুৱ পৰিষদ ঃ** ৰাজ্যখনৰ ৩৫ বছৰৰ তলৰ যুৱক-যুৱতীসকলৰ বাবে 'অসম যুৱ পৰিষদ'।

৬। **অসম চাহ কোষ ঃ** চাহ জনগোষ্ঠীয় লোকসকলৰ বাবে 'অসম চাহ কোষ'।

৭। **অসম সাংস্কৃতিক পৰিষদ ঃ** ৰাজ্যখনৰ সাংস্কৃতিক জগতৰ লগত জড়িত সকলৰ বাবে 'অসম সাংস্কৃতিক পৰিষদ'।

৮। **অসম ভাষিক সংখ্যালঘু পৰিষদ ঃ** ৰাজ্যখনৰ ভাষিক সংখ্যালঘুসকলৰ বাবে এই পৰিষদ।

৯। **অসম ধৰ্মীয় সংখ্যালঘু পৰিষদ ঃ** ৰাজ্যখনৰ ধৰ্মীয় সংখ্যালঘুসকলৰ বাবে 'অসম ধৰ্মীয় সংখ্যালঘু পৰিষদ'।

১০। **অসম গোৰ্খা পৰিষদ ঃ** ৰাজ্যখনৰ নেপালী সম্প্ৰদায়ৰ লোকসকলৰ বাবে 'অসম গোৰ্খা পৰিষদ'।

১১। **অসম জনজাতি পৰিষদ ঃ** ৰাজ্যখনৰ সকলো জনজাতিকে সামৰি 'অসম জনজাতি পৰিষদ'।

১২। **অসম অনুসূচিত আৰু অন্যান্য পিছপৰা সম্প্ৰদায় পৰিষদ ঃ** ৰাজ্যখনৰ সকলো অনুসূচিত আৰু অন্যান্য পিছপৰা সম্প্ৰদায় পৰিষদ সামৰি 'অসম অনুসূচিত আৰু অন্যান্য পিছপৰা সম্প্ৰদায় পৰিষদ'।

ক) স্বীকৃত সংগঠনসমূহ দলৰ কেন্দ্ৰীয় সভাপতিয়ে মনোনীত কৰিব।

খ) স্বীকৃত সংগঠনসমূহে দলীয় সংবিধান আৰু পতাকা প্ৰতিটো স্তৰতে ব্যৱহাৰ কৰিব।

গ) দলৰ সংবিধানৰ আধাৰত প্ৰস্তুত কৰা নিয়মাৱলীৰ দ্বাৰা এই সংগঠনসমূহ পৰিচালিত হ'ব।

ঘ) স্বীকৃত সংগঠনসমূহ কেন্দ্ৰীয় পৰিষদৰ নিয়ন্ত্ৰণত থাকিব।

ঙ) দলৰ সংবিধানৰ পৰিপন্থী বা কেন্দ্ৰীয় পৰিষদৰ পৰিপন্থী কাৰ্য কৰিলে তেনে স্বীকৃত সংগঠন তৎকালীনভাৱে ভঙ্গ কৰিবলৈ শীৰ্ষতম কৰ্ম পৰিষদৰ কৰ্তৃত্ব থাকিব।

**৫৯। দলীয় অনুশাসন ঃ**

১। কোনো সদস্যই দলৰ নিৰ্ধাৰিত নীতি আদৰ্শ আৰু দলীয় নিৰ্দেশৰ পৰিপন্থী কাম কৰিলে বা দলৰ ভাবমূৰ্ত্তি ম্লান কৰিব পৰা কাৰ্যত লিপ্ত হ'লে বা দুৰ্নীতি, ভ্ৰষ্টাচাৰক প্ৰশ্ৰয় দিলে বা দলৰ বিৰুদ্ধে কোনো ধৰণৰ দল বিৰোধী কাম কৰিলে তেনে সদস্যৰ বিৰুদ্ধে কৈফিয়ৎ তলব, পদৰ পৰা অপসাৰণ, নিলম্বন বা সদস্য পদ খাৰিজ আদি বিভিন্ন উপযুক্ত বুলি বিবেচনা কৰা অনুশাসনমূলক ব্যৱস্থা ল'ব পাৰিব। অভিযুক্ত সদস্যৰ বিৰুদ্ধে যাৱতীয় তদন্ত চলাই অনুশাসনমূলক ব্যৱস্থা গ্ৰহণৰ বাবে সভাপতিক পৰামৰ্শ দিবলৈ দলৰ অনুশাসন উপসমিতি গঠন হ'ব।

২। জিলা সমিতি আৰু কেন্দ্ৰীয় পৰ্যায়ত অনুশাসন উপ-সমিতি গঠন হ'ব। সংশ্লিষ্ট জিলা কাৰ্যনিৰ্বাহক আৰু কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকে পাঁচজনীয়া অনুশাসন উপ-সমিতি গঠন কৰিব। সমিতিত এজনক আহ্বায়কৰ দায়িত্ব দিব। সমিতিৰ কাৰ্যকাল এবছৰ হ'ব।

৩। প্ৰাণ পৰিষদ, পঞ্চায়ত পৰিষদ সমিতিৰ পৰ্যায়ত দলীয় কোনো সদস্যৰ বিৰুদ্ধে অনুশাসন ভঙ্গৰ অভিযোগ উত্থাপিত হ'লে সেই অভিযোগ সংশ্লিষ্ট জিলা পৰিষদৰ সমিতিৰ সভাপতিলৈ প্ৰেৰণ কৰিব লাগিব আৰু সভাপতিয়ে এই অভিযোগ জিলা পৰ্যায়ত গঠিত অনুশাসন উপ-সমিতিলৈ বিচাৰ কৰি পৰামৰ্শ দিবৰ বাবে প্ৰেৰণ কৰিব। ইয়াৰ বাহিৰে অন্যান্য পৰ্যায়ৰ অভিযোগসমূহ কেন্দ্ৰীয় পৰ্যায়ত গঠিত অনুশাসন উপ-সমিতিলৈ বিচাৰ আৰু পৰামৰ্শৰ বাবে প্ৰেৰণ কৰিব লাগিব। দুয়োটা পৰ্যায়তে অনুশাসন উপ-সমিতিৰ পৰামৰ্শক্ৰমে সংশ্লিষ্ট সভাপতিসকলে অনুশাসনমূলক ব্যৱস্থা গ্ৰহণৰ চূড়ান্ত নিৰ্দেশ জাৰি কৰিব। অৱশ্যে অনুশাসনমূলক ব্যৱস্থা যদি সদস্য পদ খাৰিজ পৰ্যায়ৰ হয়, তেনেহ'লে—

ক) জিলা পৰিষদৰ সভাপতিয়ে সেই নিৰ্দেশ জাৰি নকৰি কেন্দ্ৰীয় সভাপতিৰ অনুমোদনৰ বাবে প্ৰেৰণ কৰিব। কেন্দ্ৰীয় সভাপতিয়ে কেন্দ্ৰীয় পৰ্যায়ৰ অনুশাসন উপ-সমিতিক এই বিষয়টো পুনৰ পৰীক্ষা কৰিবলৈ দায়িত্ব দি লাভ কৰা পৰামৰ্শৰ ভিত্তিত চূড়ান্ত সিদ্ধান্ত প্ৰদান কৰিব। এই প্ৰক্ৰিয়া ৩০ দিনত সম্পূৰ্ণ কৰিব লাগিব। (জিলা পৰ্যায়ৰ খাৰিজৰ নিৰ্দেশৰ ক্ষেত্ৰত)

খ) কেন্দ্ৰীয় পৰ্যায়ৰ অনুশাসন উপ-সমিতিৰ পৰামৰ্শ মতে কেন্দ্ৰীয় পৰ্যায়ত সভাপতিয়ে সদস্য পদ খাৰিজৰ নিৰ্দেশ জাৰি কৰাৰ আগেয়ে বিষয়টো শীৰ্ষ নীতিনিৰ্দ্ধাৰণ সমিতিৰ অনুমোদন ল'ব। (কেন্দ্ৰীয় পৰ্যায়ৰ খাৰিজৰ নিৰ্দেশৰ ক্ষেত্ৰত)

৪। দলীয় সদস্যৰ কোনো কাৰ্য দলৰ স্বাৰ্থৰ পৰিপন্থী বুলি গণ্য হ'লে আৰু এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ পলমে অপূৰণীয় ক্ষতি সাধিব বুলি অনুভৱ কৰিলে দল আৰু ৰাজ্যখনৰ বৃহত্তৰ স্বাৰ্থত কেন্দ্ৰীয় সভাপতিয়ে তাৎক্ষণিকভাৱে যিকোনো পৰ্যায়ৰ দলীয় সদস্যৰ ক্ষেত্ৰত অনুশাসনমূলক ব্যৱস্থা ল'ব পাৰিব। এনে ব্যৱস্থা দলৰ পৰৱৰ্তী শীৰ্ষ নীতিনিৰ্দ্ধাৰণত সভাপতিয়ে অৱগত কৰিব।

৫। জিলা পৰিষদ সমিতিয়ে গ্ৰহণ কৰা অন্যান্য অনুশাসনমূলক ব্যৱস্থাৰ বিৰুদ্ধে চাৰি সপ্তাহৰ ভিতৰত কেন্দ্ৰীয় সমিতিৰ সভাপতিলৈ আপীল

কৰিব পাৰিব। কেন্দ্ৰীয় সমিতিৰ সভাপতিয়ে কেন্দ্ৰীয় পৰ্যায়ৰ অনুশাসন সমিতিৰ পৰামৰ্শ মতে চাৰি সপ্তাহৰ ভিতৰত এনে আপীলৰ ক্ষেত্ৰত চূড়ান্ত ৰায় প্ৰদান কৰিব।

৬। জিলা সমিতিয়ে গ্ৰহণ কৰা সকলো অনুশাসনমূলক ব্যৱস্থা গ্ৰহণৰ সাতদিনৰ ভিতৰত কেন্দ্ৰীয় অনুশাসন সমিতিৰ আহ্বায়কলৈ আৱশ্যকীয় ৰেকৰ্ডৰ বাবে নিশ্চিতভাৱে পোৱাৰ ব্যৱস্থাৰে প্ৰেৰণ কৰিব।

৭। নিলম্বনৰ সময়ছোৱাত দলীয় সদস্য হ'লেও নিলম্বিত সদস্যজনে দলৰ কোনো সাংগঠনিক দায়িত্বত থাকিব নোৱাৰিব।

৮। বহিষ্কৰণৰ নিৰ্দেশ লাভ কৰা সকলে বিষয়টো ক্ষমাৰ চকুৰে চাবৰ বাবে পুনৰ এক দ্বিতীয় আপীল কৰিব পাৰিব। এই আবেদন বহিষ্কৰণ নিৰ্দেশ পোৱাৰ ৩০ দিনৰ ভিতৰত কেন্দ্ৰীয় সভাপতিলৈ প্ৰেৰণ কৰিব লাগিব। এনে আবেদন পৰ্যালোচনা কৰাৰ বাবে দলৰ সভাপতি আৰু প্ৰাক্তন সভাপতিসকলক অন্তৰ্ভুক্ত কৰি এখন 'জুৰী' গঠিত হ'ব। এনেদৰে গঠিত 'জুৰী'ৰ সদস্য সংখ্যা যদি তিনিজনতকৈ কম হয় তেনেহ'লে শীৰ্ষতম নীতিনিৰ্দ্ধাৰণ সমিতিয়ে সেই সংখ্যা পূৰণ কৰিবৰ বাবে জ্যেষ্ঠতাৰ ভিত্তিত শীৰ্ষতম নীতিনিৰ্দ্ধাৰণ সমিতিৰ কোনো সদস্যক মনোনীত কৰিব। জুৰীৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ'ব।

**৬০। সংবিধান সংশোধন ঃ**

দলৰ শীৰ্ষতম কৰ্ম পৰিষদে সংবিধানৰ কোনো দফা সংশোধন বা সংকোচন বা সংযোজন কৰাৰ বিবেচনা কৰিলে শীৰ্ষতম কৰ্ম পৰিষদে প্ৰস্তুত কৰি তেনে সংশোধন কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ অনুমোদন সাপেক্ষে কৰিব পাৰিব।

**৬১। নিয়মাৱলী প্ৰনয়ণ ঃ**

দলৰ সভাপতিয়ে দলৰ শীৰ্ষতম কৰ্ম পৰিষদৰ অনুমোদন ক্ৰমে কাৰ্যালয় পৰিচালনা বিধি, অনুশাসন বিধি, আচৰণ বিধি আৰু ভাতৃ-ভগ্নী সংগঠনসমূহৰ পৰিচালন বিধি প্ৰনয়ণ কৰিব পাৰিব।

৬২। **দলীয় নিৰ্বাচন ঃ**

১। প্ৰতিটো স্তৰতে নিৰ্বাচন পৰিচালনাৰ বাবে সেই পৰ্যায়ৰ কাৰ্যনিৰ্বাহকে একোখন তিনিজনীয়া নিৰ্বাচনী সমিতি গঠন কৰিব। নিৰ্বাচনী সমিতিৰ সদস্যসকলে সংশ্লিষ্ট স্তৰৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব নোৱাৰিব। প্ৰাণ পৰিষদৰ বাদে পঞ্চায়ত বা নগৰ পৰিযদ আৰু কেন্দ্ৰীয় পৰ্যায়ৰ নিৰ্বাচন, সেই সমূহৰ অধিৱেশনৰ বাবে নিৰ্দিষ্ট কৰা তাৰিখৰ পূৰ্বে নিৰ্বাচনী পৰিচালনা সমিতিয়ে গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে সমাপ্ত কৰিব লাগিব। দলৰ পঞ্জীয়নভুক্ত সদস্যসকলেহে নিৰ্বাচনত অংশ গ্ৰহণ কৰিব পাৰিব।

২। ক) প্ৰাণ পৰিষদ পৰ্যায়ৰ নিৰ্বাচন অধিৱেশনৰ বাবে নিৰ্ধাৰণ কৰা তাৰিখৰ দিনাই সম্পন্ন হ'ব।

খ) পঞ্চায়ত বা নগৰ পৰিষদ পৰ্যায়ৰ দলীয় নিৰ্বাচনী সমিতিয়ে পঞ্চায়ত বা নগৰ সমিতিৰ নিৰ্বাচন সাধাৰণ অধিৱেশনৰ বাবে নিৰ্দিষ্ট কৰা তাৰিখৰ ন্যূনতম ৭ (সাত) দিনৰ আগেয়ে ঘোষণা কৰিব লাগিব। নিৰ্বাচনত অংশগ্ৰহণ কৰিব বিচৰা ইচ্ছুক প্ৰাৰ্থীয়ে প্ৰয়োজনীয় মনোনয়ন পত্ৰ তিনিজন প্ৰস্তাৱকৰ (অতি কমেও দুজন প্ৰাণ পৰিষদক প্ৰতিনিধিত্ব কৰা সাধাৰণ সভাৰ সদস্য) স্বাক্ষৰ সহ প্ৰথম তিনিটা দিনত দাখিল কৰিব পাৰিব। মনোনয়ন পত্ৰৰ প্ৰয়োজনীয় পৰীক্ষা নিৰ্বাচনী সমিতিয়ে পৰৱৰ্ত্তী দিনটোত পৰীক্ষা কৰিব আৰু মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ বাবে এটা অতিৰিক্ত দিনৰ সময় দি নিৰ্বাচন অনুষ্ঠিত কৰিব লগাত পৰিলে এই নিৰ্বাচন অধিৱেশনৰ ন্যূনতম এদিন আগেয়ে সম্পন্ন কৰিব লাগিব।

৩। **কেন্দ্ৰীয় সমিতি ঃ** কেন্দ্ৰীয় পৰ্যায়ৰ দলীয় নিৰ্বাচনী সমিতিয়ে কেন্দ্ৰীয় সমিতিৰ নিৰ্বাচন সাধাৰণ অধিৱেশনৰ বাবে নিৰ্দিষ্ট কৰা তাৰিখৰ ন্যূনতম ১৫ (পোন্ধৰ) দিনৰ আগেয়ে ঘোষণা কৰিব লাগিব। নিৰ্বাচনত অংশগ্ৰহণ কৰিব বিচৰা ইচ্ছুক প্ৰাৰ্থীয়ে প্ৰয়োজনীয় মনোনয়ন পত্ৰ দহজন প্ৰস্তাৱকৰ (অতি কমেও তিনিখন জিলা পৰিষদক প্ৰতিনিধিত্ব কৰা সাধাৰণ সভাৰ সদস্য) স্বাক্ষৰ সহ প্ৰথম পাঁচটা দিনত দাখিল কৰিব

পাৰিব। মনোনয়ন পত্ৰৰ প্ৰয়োজনীয় পৰীক্ষা নিৰ্বাচনী সমিতিয়ে পৰৱৰ্ত্তী দিনটোত পৰীক্ষা কৰিব আৰু মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ বাবে এটা অতিৰিক্ত দিনৰ সময় দি নিৰ্বাচন অনুষ্ঠিত কৰিব লগাত পৰিলে এই নিৰ্বাচন অধিৱেশনৰ ন্যূনতম সাতদিন আগেয়ে সম্পন্ন কৰিব।

৪। সকলো পৰ্যায়ৰ নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ গ্ৰহণ, পৰীক্ষা আৰু প্ৰত্যাহাৰৰ নিৰ্দিষ্ট তাৰিখসহ নিৰ্বাচনৰ দিনকে ধৰি বিতং জাননী কেন্দ্ৰীয়ভাৱে জাৰি কৰা হ'ব আৰু প্ৰতি পৰ্যায়ৰ বাবে গঠিত নিৰ্বাচনী সমিতিয়ে নিৰ্দ্ধাৰিত তাৰিখত দলীয় নিৰ্বাচন সংবিধান অনুসৰি সেই পৰ্যায়ত গণতান্ত্ৰিকভাৱে সুকলমে সম্পন্ন কৰাৰ বাবে কৰ্তব্য সমাপন কৰিব।

৫। মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ সময়সীমা উকলি যোৱাৰ পাছত পদৰ বিপৰীতে প্ৰাৰ্থীৰ সংখ্যা অধিক হ'লে নিৰ্বাচন অনুষ্ঠিত হ'ব। এই ক্ষেত্ৰত কেন্দ্ৰীয় পৰ্যায়ৰ ভোট গ্ৰহণ আৰু গণনা কেন্দ্ৰীয় কাৰ্যালয়ত, প্ৰাণ পৰিষদ আৰু পঞ্চায়ত বা নগৰ পৰিষদ পৰ্যায়ত ভোট গ্ৰহণ আৰু গণনা সংশ্লিষ্ট কাৰ্যালয়ত আৰু এই ক্ষেত্ৰত স্থায়ী কাৰ্যালয় নাথাকিলে পূৰ্ব নিৰ্দ্ধাৰিত কোনো সুচল স্থানত সম্পন্ন কৰিব লাগিব।

৬। নিৰ্বাচনৰ ক্ষেত্ৰত কোনো বিসংগতি লক্ষ্য কৰিলে সংশ্লিষ্ট পৰ্যায়ৰ নিৰ্বাচনী সমিতি আৰু পৰ্যবেক্ষকক ইয়াৰ নিষ্পত্তিৰ বাবে লিখিত অভিযোগ তৎকালেই দাখিল কৰিব লাগিব আৰু এই ক্ষেত্ৰত অসন্তুষ্ট হ'লে—

ক) প্ৰাণ পৰিষদ আৰু পঞ্চায়ত বা নগৰ পৰিষদ নিৰ্বাচনৰ ক্ষেত্ৰত জিলা নিৰ্বাচনী সমিতিক অভিযোগ দিব পাৰিব আৰু নিৰ্বাচনী সমিতিৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ'ব।

খ) কেন্দ্ৰীয় নিৰ্বাচনৰ ক্ষেত্ৰত কেন্দ্ৰীয় নিৰ্বাচনী সমিতিক অভিযোগ দিব পাৰিব আৰু কেন্দ্ৰীয় নিৰ্বাচনী সমিতিৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ'ব।

**৬৩। সভাৰ থূল ঃ**

ক) সকলো পৰ্যায়ৰ সভাত এক তৃতীয়াংশ সদস্যৰ উপস্থিতিয়ে থূল তৈয়াৰ কৰিব।

খ) স্থগিত বৈঠকৰ বাবে থূলৰ প্ৰয়োজন নহ'ব।

(১৯৮৫ চনত জন্মলগ্নত গ্ৰহণ কৰা অসম গণ পৰিষদ দলৰ সংবিধানখন ১৭/০৮/১৯৯৩ তাৰিখৰ কেন্দ্ৰীয় সাধাৰণ সভাই সংশোধন ঘটায়। এই সংশোধনী দুই দলৰ একত্ৰীকৰণৰ বাবে কৰা হৈছিল।

ইয়াৰ পাছত লখিমপুৰ অধিৱেশনৰ আগে আগে ০৭/০৭/১৯৯৫ আৰু ১৮/০৮/১৯৯৫ তাৰিখে অনুষ্ঠিত হোৱা কেন্দ্ৰীয় সাধাৰণ সভাত সংবিধান সংশোধন কৰা হয়।

পুনৰ নগাঁওৰ চতুৰ্থ ৰাজ্যিক অধিৱেশনত সংবিধানৰ কেইবাটাও দফা সংশোধন কৰি সংবিধানখন সময়োপযোগী কৰি এই অধিৱেশনৰ ৩১/০১/২০০১ তাৰিখে অনুষ্ঠিত হোৱা কেন্দ্ৰীয় সাধাৰণ সভাত সংশোধনীসমূহ গ্ৰহণ কৰা হয়।

যোৱা ২৮/১১/২০১১ তাৰিখে অনুষ্ঠিত দলৰ সাধাৰণ পৰিষদৰ বিশেষ সভাই এই সংবিধানৰ কেইবাটাও দফাৰ সংশোধনী আৰু কিছু ক্ষেত্ৰত সংযোজনী ঘটাই সংবিধানখনৰ সংশোধনী আনে।

শেহতীয়াভাৱে যোৱা ৩১/১০/২০১৯ তাৰিখে অনুষ্ঠিত দলৰ সাধাৰণ পৰিষদৰ সভাই এই সংবিধানৰ কেইবাটাও দফাৰ সংশোধন আৰু কেইবাটাও দফা সংযোজন ঘটাই সংবিধানখনৰ পুনৰ সংশোধনী কৰা হয়।)

অসম গণ পৰিষদৰ মুখ্য কাৰ্যালয়ৰ পৰা সাধাৰণ সম্পাদক **ডাঃ কমলা কান্ত কলিতাৰ**
দ্বাৰা প্ৰকাশিত আৰু শৰাইঘাট প্ৰিণ্টাৰ্ছ, গুৱাহাটী - ৩ ত মুদ্ৰিত।